চান্দমামা

মার্চ ১৯৮৮



বিজয়ী প্ৰতিযোগীসকললৈ

চান্দমামাই অভিনন্দন জনাইছে

মহান ভাৰতীয় পৰম্পৰা প্ৰতিযোগিতা

১

শ্ৰীমতী ৰূপালী ডেকা
কচুপথাৰ গাঁও
যোৰহাট।

I Prize

শ্ৰীদীপক কুমাৰ পাঠক
ৰাজগড় প্ৰথম উপপথ
গুৱাহাটী-৩।

II Prize

শ্ৰীবৰ্ণালী দেৱী
ৰূপহী হাই স্কুল
নগাঁও।

III Prize

No share prices,
no political fortunes, yet...

Over 40% of Heritage readers are professionals or executives, 61% from households with a professional / executive as the chief wage earner. Half hold a postgraduate degree or a professional diploma.

– from an IMRB survey conducted in Oct. 1986

It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

THE HERITAGE

CMP-2155

So much in store, month after month.

শ্ৰী গৌতম গোস্বামী
৮।৩।৮৮ (1.3.88)

চান্দমামা

মাৰ্চ ১৯৮৮

এই সংখ্যাত আছে

সম্বাদ-বি-সম্বাদ	: ৯		আমাৰ দেশৰ বিচিত্ৰ কথা	:	৩৫
কলাৰতী	: ১০		ঘাম আৰু কাম	:	৩৯
সমাজ-শ্ৰেষ্ঠ	: ১১		কৃষ্ণাৰতাৰ	:	৪৩
জ্ঞান-বিজ্ঞান	: ১৬		সাহসৰ সাৰকথা	:	৫১
স্বৰ্ণ-উপত্যকা	: ১৯		পূবো নাই অষ্টমীও নাই	:	৫৬
ৰাজনীতি	: ২৭		জ্যোতিষ-ৰহস্য	:	৬১
শাহু-বোৱাৰী	: ৩৩		প্ৰকৃতিৰ বিস্ময়	:	৬৩

খনে : ২·৫০ পইচা মাথোন : বছৰেকীয়া বৰঙনি : ৩০·০০ টকা মাথোন

দাঁতৰ সৌন্দৰ্য আৰম্ভ হওক মুখত সজীৱ আমেজ লৈ মুখত!
ৰমেন্ট আৰু
ৰমেন্টৰ সতেজ সজীৱ
ত। বঢ়িয়া ফৰ্মূলাৰ
ৰতে বিয়পি পৰা ফেনেৰে
চিকচিকীয়াকে
স্কাৰ কৰে, নিশ্বাসত
ৰ সুগন্ধ।
পণ্ডচ টুথপেস্টৰে দাঁত
বলৈ অকণো আমনি
গে, বৰং ভালহে লাগে।
চাব, সৰু সৰু ল'ৰা-
ছোৱালীয়ে এই টুথপেস্টৰে
দাঁত ঘঁহিবলৈ বৰ ভাল পাব।
আজিয়েই নতুন পণ্ডচ
টুথপেস্ট কিনক।
আপোনাৰ জীৱনৰ
প্ৰতিটো পুৱা হৈ
উঠক সুন্দৰ,
সাৰ্থক।
Pond's
TOOTHPASTE
বিশেষ উপাদান থকাত ফেনবোৰ দ্ৰুত বিয়পি পৰে। শক্তিশালী ফেনত ...
নতুন
পণ্ডচ
টুথপেষ্ট
সুস্থ সবল ৰাখে দাঁত, সুৰভিত সতেজ নিশ্বাস

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্রপাণি * বি নাগিৰেড্ডি

আকৌ কওঁ

চান্দমামাৰ ফটো-নামকৰণ প্ৰতিযোগিতালৈ যোগদান কৰিবলৈ হ'লে নিম্নলিখিত নিয়মসমূহ পালন কৰিব লাগিব : (১) কেৱল প'ষ্টকাৰ্ডত লিখিব লাগিব ; (২) প্ৰতিযোগীয়ে নিজৰ হস্তাক্ষৰেৰে লিখিব লাগিব ; (৩) প্ৰতিযোগীৰ বয়সৰ উল্লেখ থাকিব লাগিব ; (৪) কোন সংখ্যাৰ বাবে প্ৰতিযোগিতা তাৰ উল্লেখ থাকিব লাগিব ; (৫) সম্পূৰ্ণ ঠিকনা অসমীয়াত বা ইংৰাজীত লিখিব লাগিব। এই প্ৰতিযোগিতাৰ বিষয়ে ব্যক্তিগত যোগাযোগ কৰা নহয়।

অমৰ-বাণী

অশ্বঃ শস্ত্ৰং শাস্ত্ৰং বীণা বাণী নৰশ্চ নাৰীচ।
পুৰুষ বিশেষম্ প্ৰাপ্তা ভৱন্তি যোগ্যা অযোগ্যাশ্চ ॥

[ঘোঁৰা, অস্ত্ৰ-শস্ত্ৰ, শাস্ত্ৰ, বীণা, বচন আৰু নাৰী-পুৰুষৰ ব্যৱহাৰ ব্যৱহাৰকাৰীৰ যোগ্যতাৰ ওপৰতহে নিৰ্ভৰশীল।]

বছৰ : ১২ মাৰ্চ ১৯৮৮ সংখ্যা : ১২

খনে : ২·৫০ টকা : : বছৰেকীয়া বৰঙণি : ৩০·০০ টকা

নিশ্বাসৰ দুৰ্গন্ধ দূৰত ৰাখক। দাঁতৰ ক্ষয়ৰোগ ৰোধ কৰক।



আপোন কৰি লওক ক'লগেটৰ সুৰক্ষা চক্ৰ!

ক'লগেটৰ দৈনন্দিন ব্যৱহাৰে
আপোনাৰ পৰিয়ালক দিয়ে সুস্থ সবল দাঁত, নিৰ্মল শ্বাস-প্ৰশ্বাস।
সেইটোৱেই হ'ল ক'লগেটৰ সুৰক্ষা চক্ৰ।

প্ৰতিবাৰেই আপুনি দাঁত ঘঁহোতে ক'লগেটৰ নিৰ্ভৰযোগ্য ফৰমূলাই এনেদৰে ক্ৰিয়া কৰে:



নিশ্বাসৰ দুৰ্গন্ধ আৰু দাঁতৰ ক্ষয়ৰোগ সৃষ্টি হয় দাঁতৰ ফাকত লাগি থকা খাদ্যৰ টুকুৰাবোৰৰ পৰা।

ক'লগেটৰ অদ্বিতীয় সক্ৰিয় ফেনবোৰ দাঁতৰ ফাকবোৰলৈকে সোমাই গৈ এই দুৰ্গন্ধ সৃষ্টিকাৰী খাদ্যৰ টুকুৰাবোৰ আঁতৰাই আৰু ক্ষয় ৰোগৰ সৃষ্টিকাৰী বীজাণু দূৰ কৰে।



ক'লগেটৰ দৈনন্দিন ব্যৱহাৰে আপোনাক দিয়ে সুস্থ সবল দাঁত, নিৰ্মল শ্বাস প্ৰশ্বাস।

আপোনাৰ পৰিয়ালৰ সকলোৱেই যাতে প্ৰতিবাৰেই খোৱাৰ পিছত ক'লগেটেৰে দাঁত ঘঁহে সেইবিষয়ে নিশ্চিন্ত হওক।
নিশ্বাসৰ দুৰ্গন্ধ দূৰত ৰাখক,
দাঁতৰ ক্ষয়ৰোগ ৰোধ কৰক।
আপোন কৰি লওক
ক'লগেটৰ সুৰক্ষা চক্ৰ।

84-55 Asm

আপুনি মুগ্ধ হব
এই মিঠা সোৱাদত!

চান্দমামাৰ
সম্বাদ-বি-সম্বাদ

টাই-বাই টাইটানিক



১৯১২ চনৰ ১৫ এপ্ৰিল ‘২ বাজি ২০ মিনিটত তেতিয়াৰ দিনৰ বিৰাটতম জাহাজ ‘টাইটানিক’ অঠাই সাগৰৰ বুকুত জাহ গৈছিল। এই দুৰ্ঘটনাত ১৫১৩ জন মানুহৰ মৃত্যু হৈছিল। সম্প্ৰতি, অতলান্তিক মহাসাগৰৰ তলীৰপৰা সেই টাইটানিক জাহাজৰ কেইবাশও বস্তু সামগ্ৰী উদ্ধাৰ কৰি ফৰাচী কৰ্তৃপক্ষৰ হাতত গটাই দিয়া হৈছে !

গঁড়-হিচাপ

পৃথিৱীৰপৰা গঁড় প্ৰায় নোহোৱা হৈ আহিছে। ইহঁতৰ বংশবৃদ্ধিৰ বাবে সম্প্ৰতি জিম্বাব'য়েৰ চাৰ্লি হেওৱাৰ্ট আৰু জলী এডৱাৰ্ডছ নামৰ দুগৰাকী মহিলা লণ্ডনৰপৰা ছাইকেলত উঠি নৰৱে, সুইডেন, ডেনমাৰ্ক, পশ্চিম জাৰ্মানি, নেদাৰলেণ্ড, ফ্ৰান্স, সুইজাৰলেণ্ড, ইতালি আৰু মিচৰলৈ গৈছে গঁড়ৰ বংশবৃদ্ধিৰ বাবে ধন গোটাবলৈ। তেওঁলোকে এই ধন জিম্বাব'য়ে নেশ্বনেল কনফাৰেন্স ট্ৰাস্টক দিব।

বাৰে-বৰণীয়া বৃত্ত



সম্প্ৰতি বিজ্ঞানীসকলে সূৰ্য্যৰ চাৰিওফালে বাৰে বৰণীয়া বৃত্ত দেখা পাইছে। ইন্দোৰৰ হোলকৰ মহাবিদ্যালয়ৰ অধ্যাপক ৰাম শ্ৰীবাস্তৱে এই বৃত্ত পোন প্ৰথমে দেখা পাইছিল। পৃথিৱীৰপৰা ১৫ কিল'মিটাৰ উচ্চতাত মেঘৰ মাজত থকা জল-কণিকাৰ ওপৰত সূৰ্য্যৰ পোহৰ পৰাত ৰামধনুৰ দৰে বৃত্তৰ সৃষ্টি হয়। প্ৰায় ৩০০ বছৰৰ আগতে বৃটিছ পণ্ডিতসকলে এনেহেন বৃত্ত দেখা পাইছিল।

বুদ্ধিৰ দৌৰ...

সম্প্ৰতি বৃটেইনত ভালেমান ল'ৰা-ছোৱালীৰ বুদ্ধিৰ পৰীক্ষাৰে বিজ্ঞানীসকলে সিদ্ধান্ত লৈছে যে এই ল'ৰা-ছোৱালীহঁতৰ বুদ্ধি সিহঁতৰ ককাক-আইতাকতকৈ ভালেখিনি অধিক। এয়া হ'ল এহেজাৰ ল'ৰা-ছোৱালীৰ মনস্তত্ত্বৰ পৰীক্ষাৰ ফলাফল। ১৯৩৬ চনৰ ল'ৰা-ছোৱালীহঁতৰ তুলনাত সাম্প্ৰতিককালৰ ল'ৰা-ছোৱালীহঁতৰ বুদ্ধি হেনো অধিক।

কলাৱতী

কাশ্মীৰ ৰজাৰ জীয়েক কলাৱতী আছিল অপৰূপ সুন্দৰী আৰু গুণৱতী। ঈশ্বৰৰ প্ৰতি কলাৱতীৰ মনত আছিল অবিচল নিষ্ঠা। বালিকা বয়সতে দুৰ্বাসা মুনিয়ে কলাৱতীক পঞ্চাক্ষৰী মন্ত্ৰেৰে দীক্ষিত কৰিছিল। এই পঞ্চাক্ষৰী মন্ত্ৰেৰে কলাৱতীয়ে শ্ৰদ্ধাৰে সৈতে শিৱৰ পূজা কৰিছিল। তাৰ পাছত, ডাঙৰ হৈ উঠাৰ পাছত, ৰজা দাসাৰ্হই কলাৱতীক বিবাহ কৰালে।

বিবাহকালত ৰজা দাসাৰ্হ আছিল উত্তম ব্যক্তি। তেওঁ সুশাসক হিচাপেও যশস্যা আৰ্জিছিল। কিন্তু তেওঁৰ মাজত ক্ৰমাত অহংকাৰে মূৰ দাঙিবলৈ ধৰিলে। দিনক দিনে তেওঁ বিলাসী আৰু ভোগী হৈ উঠিল। পাপকাৰ্য্যৰ প্ৰবল ইচ্ছা প্ৰকাশিত হৈ থাকিল। কলাৱতীয়ে স্বামী দাসাৰ্হক পৰিৱৰ্তিত কৰাৰ চেষ্টা কৰিও ব্যৰ্থ হ'ল।

এবাৰ কলাৱতীয়ে দাসাৰ্হক লৈ গ'ল ঋষি গৰ্গৰ আশ্ৰমলৈ। কলাৱতীয়ে ঋষি গৰ্গৰ সৈতে স্বামীৰ মাজত প্ৰকাশিত হোৱা পাপ সমূহক পৰিৱৰ্তনৰ বিষয়ে আলোচনা কৰিলে।

কলাৱতীৰ কথা শুনাৰ অন্তত ঋষি গৰ্গই ৰজা দাসাৰ্হক কালিন্দী নৈত স্নান সমাপন কৰি আহিবলৈ ক'লে। ঋষি গৰ্গৰ আশ্ৰমৰ পৰিবেশ চাই ৰজা দাসাৰ্হ মুগ্ধ হৈ পৰিছিল। তেওঁ সানন্দে কালিন্দী নৈত ভক্তিভাৱেৰে স্নান সমাপন কৰি আহিল। আৰু তৎমুহূৰ্ততেই ৰজা দাসাৰ্হৰ মাজত শিপোৱা সমস্ত পাপ ধৌত হৈ গ'ল। তেওঁৰ মাজত থকা পাপবোৰে কাউৰীৰ ৰূপ ধৰি উৰি গুচি গ'ল।

এই ঘটনালৈ লক্ষ্য কৰি ৰজা দাসাৰ্হই ঋষি গৰ্গৰ চৰণত আভূমি প্ৰণাম কৰিলে। তাৰ পাছৰপৰা ৰজা দাসাৰ্হই কলাৱতীৰে সৈতে সুখে-সন্তোষেৰে জীৱন অতিবাহিত কৰিছিল।



সম্রাজ্ঞ-শ্ৰেষ্ঠ

চিত্ৰগিৰি ৰাজ্যত এটি বিচিত্ৰ প্ৰথা আছিল এয়ে যে, এই ৰাজ্যৰ ৰজাই প্ৰতি দহ বছৰৰ বাদে বাদে অস্ত্ৰচালনাৰ পৰীক্ষাত উত্তীৰ্ণ হ'বলগীয়া হৈছিল। এই প্ৰতিযোগিতাত ৰাজ্যৰ প্ৰজাবৰ্গয়ো অংশগ্ৰহণ কৰিছিল আৰু প্ৰতিযোগিতাত বিজয়ী হোৱাজনক ৰজা পতা হৈছিল।

এইবাৰৰ প্ৰতিযোগিতাত শেহান্তৰত তিনিজন বীৰ যোদ্ধা অৱশিষ্ট থাকিল। এই তিনিজনৰ মাজত দুজনক চিত্ৰগিৰিৰ ৰজাই কথমপি পৰাজিত কৰিব পৰা হ'ল. কিন্তু তৃতীয় যোদ্ধাৰ হাতত ৰজা পৰাজিত হ'ল। এই তৃতীয় যোদ্ধাৰ নাম আছিল মুনীন্দ্ৰ। প্ৰথা অনুসাৰে মুনীন্দ্ৰক ৰজা পতা হ'ল আৰু তেতিয়াৰ-পৰা মুনীন্দ্ৰৰ নাম হ'ল ৰজা মুনীন্দ্ৰবৰ্মা।

চিত্ৰগিৰি ৰাজ্যৰ ৰাজসভাত উদ্দণ্ডভট্ট নামৰ এগৰাকী বিখ্যাত পণ্ডিত আছিল। কিয়নো তৰ্কত তেওঁ আছিল অপৰাজেয়।

মুনীন্দ্ৰবৰ্মাদেৱৰ প্ৰথমদিনৰ ৰাজসভাত পণ্ডিত উদ্দণ্ডভট্টই নতুন ৰজাক উদ্দেশি ক'লে, "মহাৰাজ! বল-শক্তিত আপুনি বলৰামৰ তুল্য, সাহসিকতাত অভিমন্যু আৰু যুদ্ধবিদ্যাত আপুনি অৰ্জুন।"

এই কথা শুনি, পণ্ডিতলৈ খন্তেকমান ভেবা লাগি চাই থাকি, মুনীন্দ্ৰ মহাৰাজে হঠাৎ হো হোকৰে হাঁহি উঠিল।

ৰজাৰ হাঁহিয়ে হাঁহিয়াতৰ পাত্ৰ যেন কৰি তোলা ক্ষুব্ধ উদ্দণ্ড পণ্ডিতে ৰজাক সুধিলে, "মহাৰাজ, আপোনাৰ হাঁহিৰ হেতুৰ কথা সুধিব পাৰোঁনে?"

"পাৰে।" মুনীন্দ্ৰ মহাৰাজে ক'লে,

ভুবন ভুঞা



“মই মোৰ হাঁহিৰ হেতুৰ কথা ক'ম। পিছে — আগতে — আপুনি কেনেকুৱা সাধনা কৰি ৰাজসভাৰ শ্ৰেষ্ঠ পণ্ডিতৰ আসন অলংকৃত কৰিলে, জানিবলৈ বিচাৰোঁ।”

পণ্ডিত উদ্দণ্ডভট্টই এই প্ৰশ্নৰ উত্তৰত ক'লে, “মহাৰাজ, মই পণ্ডিত-পৰিয়ালতে জন্মগ্ৰহণ কৰিছিলোঁ। মোৰ পিতৃদেৱো আছিল এগৰাকী খ্যাতিমান পণ্ডিত। দেউতাই মোক তৎকালীন বিখ্যাত শাস্ত্ৰজ্ঞ পণ্ডিত নৃসিংহশাস্ত্ৰীৰ ওচৰলৈ পঠাইছিল অধ্যয়নৰ বাবে। গুৰুৰ আদেশক্ৰমে মই প্ৰচুৰ পৰিশ্ৰম কৰিছিলোঁ, অৰণ্যৰপৰা ফল-মূল বুটলি আনিছিলোঁ, আনকি ঘৰুৱা কাম-বনো কৰিবলগীয়া হৈছিলোঁ। গুৰুৱে মোক ককৰ্থনা-বিকৰ্থনা, আনকি কেতিয়াবা কেতিয়াবা প্ৰহাৰো কৰিছিল। কিন্তু— মই যিখিনি জ্ঞান লভিলোঁ, তেওঁৰপৰাই লভিলোঁ। বেদ, উপনিষদ, তৰ্কশাস্ত্ৰ আদিৰ শিক্ষাও তেৱেঁই দিলে। একেৰাহে একুৰি বছৰলৈ মই গুৰুৰ অধীনত শিক্ষা গ্ৰহণ কৰিছিলোঁ। আৰু তাৰ পাছত, দেশৰ ৰজাই মোৰ পাণ্ডিত্যত মুগ্ধ হৈ মোক ৰাজসভাত ঠাই দিলে।”

পণ্ডিত উদ্দণ্ডৰ কথা শুনি ৰজা মুনীন্দ্ৰবৰ্মাদেৱে ক'লে, “ৰাজসভাৰ পণ্ডিত হোৱাৰ বাবে একুৰি বছৰীয়া শিক্ষাগ্ৰহণৰ কথাটো মোৰ হাঁহি উঠিছে, আপোনালৈ পুতৌ উপজিছে মোৰ মনত। সুদীৰ্ঘ একুৰি বছৰৰ একনিষ্ঠ সাধনাৰ এই পৰিণতি! আপোনাৰ দৰে পণ্ডিত এগৰাকীয়ে মোক কৰযোৰে নমস্কাৰ কৰাতো মই একেবাৰে ভাল পোৱা নাই। মই মাত্ৰ তিনি বছৰকালৰ চেষ্টাত চিত্ৰগিৰিৰ ৰজা হ'ব পাৰিলোঁ। মোৰ ৰজা হোৱাৰ কাহিনী কওঁ শুনক:

“মই ৰজক [ধোবা] পৰিয়ালত জন্মগ্ৰহণ কৰিছিলোঁ আৰু সৰুৰেপৰাই বংশগত কাম-কাজত দেউতাক সহায় কৰিছিলোঁ। কিন্তু মোৰ মনত আছিল



উচ্চাশা। বহু বছৰৰ পাছৰ কথা। তেতিয়া মই যুৱক। এদিন আমাৰ গাঁৱত এগৰাকী ক্ষত্ৰিয় যোদ্ধা আহিল, আৰু আমাৰ গাঁৱৰ খ্যাতিমন্ত যোদ্ধা তিনিজনক সেই আগন্তুক ক্ষত্ৰিয় যোদ্ধাই হেলাৰঙে পৰাজিত কৰিলে। এগৰাকী ক্ষত্ৰিয় যোদ্ধাৰ যুদ্ধৰ কৌশল আছিল অতি আকৰ্ষণীয়। পাছত মই তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰি তিনি বছৰ কাল যুদ্ধৰ কৌশল শিক্ষা কৰি এইদেশৰ ৰজাক যুদ্ধত পৰাজিত কৰি ৰাজত্ব লাভ কৰিলোঁ।"

ইমানলৈকে কোৱাৰ অন্তত অলপ ৰৈ মহাৰাজ মুনীন্দ্ৰই পুনৰ ক'লে, "মাত্ৰ তিনিটা বছৰৰ চেষ্টাত মই ইমান ডাঙৰ ৰাজ্য এখনৰ ৰজা হ'ব পাৰিলোঁ! আপোনাৰ কুৰিবছৰীয়া ককবকনিৰ তুলনাত মোৰ এই পৰিশ্ৰম নিচেই নাম-নাচ। গতিকে মোৰ মনত প্ৰশ্নই মূৰ দাঙিছে—ডাঙৰ কোন? ৰজা নে পণ্ডিত?"

মুনীন্দ্ৰ মহাৰাজৰ কথাত হাঁহি মাৰি পণ্ডিত উদ্দণ্ডই ক'লে, "মহাৰাজ, অতীতৰ গৰ্ভৰপৰাহে বৰ্তমানৰ জন্ম। তিথি, বাৰ আৰু নক্ষত্ৰৰ ভিত্তিত বিচাৰ কৰি আমি পণ্ডিতসকলেহে ভৱিষ্যতৰ কথা কওঁ। আপুনি যিখিনি বিদ্যা আয়ত্ত কৰিলে, সেই যুদ্ধবিদ্যা—দিন যোৱাৰ লগে লগে ক্ষয় পাব, লুপ্ত হ'ব; কিন্তু পাণ্ডিত্য পুৰণি হোৱাৰ লগে লগে হ'ব তীক্ষ্ণতকৈয়ো তীক্ষ্ণ—ক্ষুৰধাৰ। ৰজা-মহাৰজাৰ আগত বিনম্ৰতা প্ৰকাশ কৰা পণ্ডিত লোকসকল দুৰ্বলতা নহয়, গুণহে। পণ্ডিতবৰ্গ ৰজাৰ অনুগ্ৰহৰ প্ৰত্যাশীও নহয়।"

ৰজা মুনীন্দ্ৰই ক'লে, "আপোনাৰ কথাবোৰ মোৰ পৰিষ্কাৰভাৱে বোধগম্য নহ'ল। পণ্ডিত এগৰাকী যিমানেই ডাঙৰ নহওক — ধনিক লোকসকলৰ আগত কৰযোৰ হ'বলগীয়া হয়েই। পক্ষান্তৰে কোনোবা পণ্ডিতৰ আগত কোনো ৰজা-মহাৰজাই তেনেকুৱা একো নকৰে।"

কঢ়িয়াম। কিন্তু যদি প্ৰমাণ কৰিব নোৱাৰে, আপুনি ৰাজ-পণ্ডিতৰ পদ এৰি গুচি যাব লাগিব। আপোনাৰ কথা প্ৰমাণ কৰাৰ বাবে মই আপোনাক এমাহৰ সময় দিলোঁ। এই মাহৰ আপুনি ৰাজ-সভালৈ নাহিলেও হ'ব—মুঠতে নাহিব।" ৰজাই পণ্ডিত উদ্দণ্ডক ক'লে।

ৰাজাদেশ শিৰোধাৰ্য্য নকৰি উপায় নাই। নিৰুপায় উদ্দণ্ডভট্ট ৰাজসভা এৰি গুচি গ'ল ঘৰলৈ। বহু দিন ধৰি বহু ধৰণে ভাবি ভাবিও তেওঁ তেওঁৰ কথা সপ্ৰমাণ কৰাৰ বাবে কোনো উপায় বিচাৰি উলিয়াব নোৱাৰিলে। তেওঁ ভাবিলে : ৰজাৰ বা, ধনী লোকৰ প্ৰতাপ বা শ্ৰেষ্ঠত্ব প্ৰমাণ কৰা অতি সহজ। সামন্তৰ ওপৰত ৰজাৰ, বা দুখীয়াৰ ওপৰত ধনিকৰ প্ৰতাপ সদায় প্ৰকট। কিন্তু পণ্ডিত এগৰাকীৰ শ্ৰেষ্ঠত্ব প্ৰমাণৰ বিষয়টো কেৱল বিশেষ বিশেষ পৰিস্থিতি ওপৰত নিৰ্ভৰশীল। নহ'লে আন উপায় নেদেখোঁ।

পণ্ডিত উদ্দণ্ডই এনেবোৰ কথা ভাবি থাকোঁতে মুনীন্দ্ৰ মহাৰাজৰ ৰাজসভালৈ কলিংগদেশৰপৰা বিমল বাচস্পতি নামৰ পণ্ডিত এগৰাকী আহিল আৰু বাচস্পতিয়ে ৰজাক ক'লে, মহাৰাজ! "মই আপোনাৰ শত্ৰুদেশ কলিংগৰপৰা আহিছোঁ। বিভিন্ন

পণ্ডিত উদ্দণ্ডই গৰম হৈ ক'লে, "আপুনি ভুল কৰিছে, মহাৰাজ। ধনিকৰ কথা বাদেই, বিশেষ বিশেষ পৰিস্থিতিত সসাগৰা পৃথিৱীৰ অধিশ্বৰেও পণ্ডিত লোকৰ আগত আঁঠু ল'বলগীয়া হয়। পণ্ডিতসকল ৰজা ৰজা-মহাৰাজসকলৰ বহু উৰ্ধত অৱস্থিত।"

"এইৰে চঠিয়া কোবাই আপোনাৰ কি লাভ হৈছে আপুনিহে জানে। মই পিছে আপোনাৰ এই কথা মানি নলওঁ। ৰজাতকৈ পণ্ডিত ডাঙৰ—আপুনি যদি এই কথা প্ৰমাণ কৰি দেখুৱাব পাৰে, মই আপোনাৰ ভৰি ধোৱা পানী খাম, আপোনাক দোলাত উঠাই কান্ধত

দেশৰ পণ্ডিতবৰ্গক পৰাজিত কৰাৰ অন্তত আপোনাৰ ৰাজসভাৰ পণ্ডিতহঁতক তৰ্কত পৰাজিত কৰাৰ মনেৰে ইয়ালৈ আহিলোঁ। আপোনাৰ ৰাজসভাৰ আটাইবোৰ পণ্ডিত যদি তৰ্কত মোৰ ওচৰত পৰাজিত হয়, আমাৰ মহাৰাজে আপোনাৰ ৰাজ্য আক্ৰমণ কৰি অধিকাৰ কৰিব। আৰু মই যদি আপোনাৰ পণ্ডিতহঁতৰ মাজত আনকি এজনৰ ওচৰতো পৰাজিত হওঁ, আমাৰ মহাৰাজে আপোনাৰ ৰাজ্যৰ সীমান্ত সংলগ্ন পঞ্চাছখন গাঁও আপোনালৈ উপহাৰস্বৰূপে আগবঢ়াব।"

ৰজা মুনীন্দ্ৰবৰ্মাদেৱৰ ৰাজসভাস্থ আটাইকেইজন পণ্ডিত একে একে বিমল বাচস্পতিৰ ওচৰত তৰ্কত পৰাজিত হ'ল।

আৰু তেতিয়া ভীত-সন্ত্ৰস্ত ৰজা মুনীন্দ্ৰই বাধ্যত পৰি পণ্ডিত উদ্দণ্ডক মতাই অনালে।

ৰজাৰ আহ্বান পাই পণ্ডিত উদ্দণ্ডভট্ট তৎক্ষণাৎ ৰাজসভালৈ আহিল আৰু অতি বুদ্ধিমত্তাৰে পণ্ডিত বিমল বাচস্পতিক তৰ্কত বেয়াকৈ পৰাজিত কৰিলে। পণ্ডিত বিমল বাচস্পতিয়ে পণ্ডিত উদ্দণ্ডৰ আগত পৰাভৱ স্বীকাৰ কৰি তলমূৰ হৈ গুচি গ'ল।

আৰু লগে লগে হতভম্ব তথা উদ্দণ্ড-ভট্টৰ পাণ্ডিত্যত মন্ত্ৰমুগ্ধ হৈ পৰা মন্ত্ৰী-অমাত্য সেনাপতিসকলৰ আগত স্বয়ং ৰজা মুনীন্দ্ৰ সিংহাসনৰপৰা নামি আহি, পণ্ডিত উদ্দণ্ডৰ আগত আঠু ল'লে, আৰু উদ্দণ্ড পণ্ডিতৰ ভৰি সোণৰ পাত্ৰত পানীৰে ধুলে। তাৰ পাছত পণ্ডিত উদ্দণ্ডৰ ভৰি ধোৱা পানী ৰজাই তেওঁৰ প্ৰতিশ্ৰুতিমতে পি-খালে আৰু পণ্ডিতক দোলাত উঠাই সেই দোলা ৰজাই স্বয়ংকান্ধত কঢ়িয়াই ৰাজধানী পৰিভ্ৰমণ কৰিলে।

তাৰ পাছত মহাৰাজ মুনীন্দ্ৰই পণ্ডিত উদ্দণ্ডক ক'লে, "হে পণ্ডিতপ্ৰবৰ! আজিৰ-পৰা মই মুক্তকণ্ঠে স্বীকাৰ কৰিছোঁ যে— পণ্ডিত ব্যক্তি হ'ল মনুষ্য-সমাজত সৰ্বশ্ৰেষ্ঠ।"



জ্ঞান-বিজ্ঞান

উজ্জয়িনী নগৰৰ পৰ্বতপ্ৰান্তত প্ৰজ্ঞাসাগৰ নামৰ মহাপণ্ডিত এগৰাকীৰ এখন আশ্ৰম আছিল। এই আশ্ৰমত আছিল বেদজ্ঞ তথা উপনিষদজ্ঞ মহাপণ্ডিত প্ৰজ্ঞাসাগৰৰ অসংখ্য শিষ্য।

প্ৰজ্ঞাসাগৰে তেওঁৰ নতুন শিষ্যসকলক শিলাময় ঠাই এটুকুৰালৈ আঙুলিয়াই কৈছিল, "এই ঠাইত যিজনে কুঁৰা খান্দিব পাৰিব, সেইজনেই হ'ব মোৰ শিষ্য।" কোনেও এই কথাৰ প্ৰকৃত অৰ্থ উপলব্ধি কৰিব নোৱাৰিছিল। শিলাময় ঠাইত তথা শিলৰ গাত কুঁৰা খন্দা যে সম্ভৱ নহয়, সেই কথা বুজি পাই, শিষ্যসকলে গুৰুৰ মস্তিষ্কৰ সুস্থতাৰ সম্পৰ্কে সন্দেহ কৰি জ্ঞানাৰ্জনৰ হেঁপাহ ধোঁৱাচাঙত তুলি থৈ তাৰপৰা পলাই ফাট মাৰিছিল।

এবাৰ গান্ধাৰদেশৰপৰা এজন ছাত্ৰ আহিল প্ৰজ্ঞাসাগৰৰ ওচৰলৈ। ছাত্ৰ হ'লেও তেওঁ আছিল এজন পণ্ডিতেই। এই পণ্ডিত ছাত্ৰ গৰাকীয়ে তেওঁৰ লগত শিষ্য এজনকো লৈ আহিছিল। এই পণ্ডিতগৰাকীৰ নাম আছিল গৌৰাংগ, আৰু তেওঁৰ শিষ্যৰ নাম আছিল বিদ্যানিধি।

গৌৰাংগ পণ্ডিতে প্ৰজ্ঞাসাগৰৰ শিষ্যত্ব গ্ৰহণ কৰিব বুলি কোৱাত প্ৰজ্ঞাসাগৰে গৌৰাংগকো কুঁৰা খন্দাৰ কথা ক'লে।

কথা শুনি অবাক মানি গৌৰাংগই ক'লে, "মই তক্ষশিলাৰ নালন্দা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰাৰ অন্তত তাতে আচাৰ্য্য ৰূপে কিছুকাল অতিবাহিত কৰিলোঁ। দেশৰ বিভিন্ন ঠাইত মোৰ অসংখ্য খ্যাতিমান শিষ্য আছে। মই

খনীন্দ্ৰ খাৰঘৰীয়া



আপোনাৰ নিচিনা মহাপণ্ডিতৰ শিষ্যত্ব গ্ৰহণ কৰিবলৈ অপাৰ আগ্ৰহী। মোক শিষ্যৰূপে গ্ৰহণ কৰক—এয়ে মোৰ বাসনা।"

গৌৰাংগৰ কথাত প্ৰজ্ঞাসাগৰে মৃদুকৈ হাঁহি মাৰি ক'লে, "মোৰ শিষ্য হ'ব পৰাজনে নিশ্চয় শিল খান্দি পানী উলিয়াব।"

গৌৰাংগ পণ্ডিতেও মিঠাকৈ হাঁহি মাৰি ক'লে, "আপোনাৰ এই বৈজ্ঞানিক পৰীক্ষা যদি কোনোবাই কাৰ্য্যকৰী কৰিব পৰা হয়, তেওঁ হ'ব আপোনাতকৈ জ্ঞানী। শিলৰ বুকুত কুঁৰা খান্দি উলিউৱাটো অসাধ্য নহ'লেও দুঃসাধ্য। এনে কঠিন কাম কৰিব পৰাজন আপোনাৰ শিষ্য হ'ব কিয়?" এই বুলি কৈয়েই গৌৰাংগই গুচি যাবলৈ খোজ ল'লে।

কিন্তু তৎমুহূৰ্ত্তে গৌৰাংগৰ শিষ্য বিদ্যানিধিয়ে কৈ উঠিল, "গুৰুদেৱ, মোৰ কথা দলিয়াই নেপেলাব—এয়ে একান্ত অনুৰোধ। প্ৰজ্ঞাসাগৰৰ ইচ্ছা আমি পূৰাওঁ আহক। আহক কুঁৰা এটা খান্দি উলিয়াওঁ।

শিষ্যৰ কথাত আমনি পাই গৌৰাংগই ক'লে, "যি কথা মই বুজা নাই, সেই কথা তুমিহেনে মোক বুজাব খুজিছা? ভাল কথা। ভাঙি-পাতি কোৱা তেন্তে।"

"প্ৰজ্ঞাসাগৰে নিজৰ অৰ্জিত বিদ্যাখিনি আন কাৰোবাক দান কৰিব খুজিছে, কিন্তু দান কৰাৰ আগতে তেওঁ গ্ৰহণকাৰীৰ ক্ষমতাৰো বুজ ল'ব খুজিছে। সেয়েহে শিলাময় ঠাইত কুঁৰা খন্দাৰ পৰীক্ষা লৈছে।" বিদ্যানিধিয়ে গৌৰাংগক ক'লে।

বিদ্যানিধিৰ কথা শুনি প্ৰজ্ঞাসাগৰে বিদ্যানিধিক হাত-বাউল দি মাতিলে আৰু ক'লে, "শিল খান্দি পানী উলিওৱাকৈয়ো কিন্তু ক্ষমতাৰ পৰিচয় দিব পাৰি।"

এই কথা শুনি অবাক দৃষ্টিৰে গৌৰাংগই প্ৰজ্ঞাসাগৰলৈ চোৱাত প্ৰজ্ঞাসাগৰে গৌৰাংগক ক'লে, "মই আনক অনেক শিকালোঁ, আনেও মোৰপৰা অনেক শিকিলে; কিন্তু মোৰ মুখৰ ওপৰত

আজিপৰ্য্যে কোনেও মাত মতা নাছিল।”

“মোক ক্ষমা কৰক। আপুনি যেনে ধৰণে কৈছে, তেনে ধৰণৰ অহংকাৰ মোৰো আছিল। তথাপি যে মই কিয় এইবোৰ শুনি আছোঁ, তাকেহে ভাবিছোঁ।”

গৌৰাংগৰ এই কথাত প্ৰজ্ঞাসাগৰে হাঁহি উঠি ক'লে, “মোৰ শিষ্য হোৱাজনে মোৰ কথা শুনি আখৰে আখৰে মানি লোৱাটো মই নিবিচাৰোঁ। মোৰ কথাৰ সত্যাসত্যৰ প্ৰমাণ বিচৰাজনকহে মই শিষ্যত্ব প্ৰদান কৰিম। মোৰ কথাৰ সাৰৱত্তাৰ বিষয়ে মোৰ সৈতে তৰ্ক কৰিব, মই জনা বা বুজা বা বুজোৱা জ্ঞানৰ সঠিকতাৰ বিচাৰ কৰিব, মোৰ সমালোচনা কৰিব— মই মোৰ শিষ্যৰ মাজত এনেবোৰ গুণ প্ৰত্যক্ষ কৰিবলৈ বিচাৰোঁ।”

“মোৰ শিষ্য বিদ্যানিধিয়ে মোৰ সকলো কথাৰ সঠিক অৰ্থ বুজি পায়। এতেকে— কাৰ্য্যতঃ শিষ্য বিদ্যানিধি মোতকৈ শ্ৰেষ্ঠ পণ্ডিত।” গৌৰাংগই আনন্দ মনেৰে ক'লে।

প্ৰজ্ঞাসাগৰে মূৰ দুপিয়াই দুপিয়াই ক'লে, “শিলৰ তলত থকা জলধাৰাক মুক্ত কৰাটো এক বিপুল শ্ৰমসাধ্য কৰ্ম— সকলোৱেই জানে। সকলো কথা-কাণ্ডয়েই হ'ল বিজ্ঞানভিত্তিক। বিজ্ঞানৰ বাহিৰে একো নাই। বিজ্ঞানৰ বিপৰীতে যিসকলে খোজ লয়, সিসকল ভ্ৰান্ত, আচলতে— কোনেও নিজ দুৰ্বলতাক প্ৰকাশ কৰিবলৈ নিবিচাৰে, নিজৰ খ্যাতি আৰু প্ৰতিষ্ঠাক যেনেতেনে অক্ষুন্ন ৰাখিবলৈহে বিচাৰে।”

প্ৰজ্ঞাসাগৰৰ এই কথাৰ একো উত্তৰ নিদিয়াকৈয়েই গৌৰাংগ নীৰৱে তাৰপৰা গুচি যাবলৈ খোজ ল'লে, কিন্তু যোৱাৰ আগতে শিষ্য বিদ্যানিধিক প্ৰজ্ঞাসাগৰৰ ওচৰত অৰ্পণ কৰিলে।

বিদ্যানিধিয়ে প্ৰজ্ঞাসাগৰৰপৰা জ্ঞান আহৰণ কৰি প্ৰজ্ঞাসাগৰতকৈয়ো খ্যাত-কীৰ্তি পণ্ডিতৰূপে পৰিগণিত হৈছিল।



স্বৰ্ণ-উপত্যকা

৩

অটব্য অৰণ্যৰ
এক গুহাৰ ভিতৰত
বিনন্দই সোণৰ এক নাৰীমূৰ্তি
দেখা পাই গুহাৰ ভিতৰলৈ সোমাই গ'ল
আৰু তাতে দৈৱবাণী তথা তাৰ ইচ্ছানুযায়ী বৰ
খুজি লোৱাৰ নিৰ্দেশ শুনি বৈ দিলে। কিন্তু পাছ মুহূৰ্ত'ত
বিনন্দই এই সোণৰ নাৰীমূৰ্তিক সুৰক্ষিত কৰাৰ মনেৰে দেশৰ
ৰজাৰ কাষ চাপিল আৰু ৰজাক টোপনিৰপৰা জগাই এই অৰণ্যলৈ
লৈ আহিল সোণৰ নাৰীমূৰ্তি দেখুৱাবলৈ। পোনতে ৰজাই বিনন্দই দেখুওৱা
মতে কোনো মূৰ্তি দেখা নাপাই ক্ৰুদ্ধ হৈ বিনন্দক তৎক্ষণাৎ মৃত্যুদণ্ড বিহিলে।
কিন্তু অলপ পাছত হঠাৎ এক সুমধুৰ সংগীতৰ মূৰ্ছনা ভাহি অহাৰ লগে লগে ৰজাই
আৰু অন্যান্যয়ো সেই অপৰূপ সোণৰ প্ৰতিমালৈ অপলক দৃষ্টিৰে চাই থাকিল। তাৰ পাছত ..

সোণৰ নাৰীমূৰ্তি তথা প্ৰতিমালৈ চাই ৰজা আৰু তেওঁৰ অনুচৰবৰ্গৰ স্তব্ধ বিস্ময়ত হতবাক হৈ পৰিল।

তেতিয়া বিনন্দই ৰজাক ক'লে, "মহাৰাজ,—আপুনি, আৰু আপোনাৰ সংগীসকলো যে আগৰ তুলনাত কিমান উজ্জ্বল তথা ধুনীয়া হৈ উঠিছে—এই বিস্ময়কৰ কথাটো নিশ্চয় আপুনি উপলব্ধি কৰিব পাৰিছে।"

ৰজাই তেওঁৰ অনুচৰসকললৈ গভীৰ

মনোজ দাস

দৃষ্টিৰে চালে আৰু তাৰ পাছত কোনো-কালে নোচোৰাকৈ নিজেই নিজক কোৱাদি ক'লে, "এই সোণৰ নাৰীমূৰ্তিৰ মাজত প্ৰাণ সঞ্চাৰিত হোৱাৰ লগে লগেই মই বিয়া কৰাম। কোনোবা ধুনীয়া হওক বা নহওক—লাভ-ক্ষতি একো নাই।"

"আপুনি বিয়া কৰায় যদি—বাধা দিয়াৰ দাঁত কাৰো নহ'ব, চণ্ডমাৰ্তণ্ড মহাৰাজ!" বিনন্দই নীৰৱ হাঁহিৰে ক'লে।

"তোমাৰ মাজত দেখিছোঁ—জ্ঞান-বুধি বোলা সাৰবস্তু একো নায়েই। এই নাৰীমূৰ্তিত প্ৰাণ সঞ্চাৰিত হ'ব কেৱল মোৰ কাৰণেহে, মোক বিয়া কৰোৱাৰ কাৰণে। কেৱল ময়েইহে এইক বিয়া কৰাব পাৰিম।" ৰজাই ক'লে।

"মই মোৰ নিজৰ মূৰ্খামিৰ কথা ভাবি লাজ পাইছোঁ, মহাৰাজ!" বিনন্দই ক'লে।

ৰজাই হো হো কৰে হাঁহি উঠি ক'লে, "লাজ নাপাইনো উপায় কি? কেৱল মোৰ নিচিনা জ্ঞানী লোকসকলেহে সকলো ঘটনা-দুৰ্ঘটনাৰ হেতু বুজিব পাৰে।"

"ক্ষমা কৰিব মহাৰাজ, এই কথা নকৈ নোৱাৰিছোঁ, আপুনি নিজক যিমান ডাঙৰ জ্ঞানী বুলি ভাবিছে, সিমান ডাঙৰ জ্ঞানী হোৱাহেঁতেন এনেকৈ নক'লেহেঁতেন।"

"কি!" ৰজাই মোচত তাও দি থাকিল আৰু ক'লে, "মই জ্ঞানী নহওঁনে কি? এনেকুৱা মূৰুখৰো মূৰুখ কথা এয়ে জীৱনত পোন পহিলতে শুনিলোঁ!"

খন্তেকমান নিমাতে থকাৰ অন্তত বিনন্দই ৰজাক ক'লে, "মহাৰাজ, আপুনি আৰু আপোনাৰ সংগীসকলে যিমান-পৰলৈকে সেই নাৰীমূৰ্তিলৈ চাই আছিল—আপোনালোক হৈ উঠিছিল উজ্জ্বল-সুন্দৰ—যেনিবা কুন্দত কটা; কিন্তু যেতিয়াই সেই নাৰীমূৰ্তিক বিবাহ কৰাৰ কথা ক'লে, তেতিয়াৰেপৰাই আপুনি, আৰু আপোনাৰ সংগীসকল সেই সৌন্দৰ্য্যৰহিত তথা দেখাত অসুন্দৰ হৈ পৰিল।"

“তোমাৰ সাহস তো কম নহয়!” ৰজাই গৰ্জি উঠি ক'লে, “তুমি কি ক'ব খুজিছা? মই দেখাত কুন্দত কটা গুচি কুন্ধচেই হ'লোঁনে কি?”

ৰজাৰ লগৰ পণ্ডিতসকলেও হোৱা দি কৈ উঠিল, “আমি কুন্ধচ হ'লোঁনে কি?”

আৰু অলপ পাছত বিনন্দক ধৰিবলৈ কেইজনমানে চোঁচা ল'লে। কিন্তু অৱস্থাৰ বুজ লৈ বিনন্দ তিমানতে আঁতৰ হৈছিলেই। তথাপি যেনেতেনে বিনন্দক ধৰিবলৈ ওখোৰা-মোখৰা বাটেদি ৰজাই চোঁচা ল'লে, আৰু ৰজাৰ পিছে পিছে কেঁকাই-গেঁথাই হেঁপাই-ফোঁপাই গৈ থাকিল তেওঁৰ নাওপেটা মেদেলা লগৰীয়াহঁত। আনকি পণ্ডিতহঁ:তও— দণ্ডিত বান্দৰনাচ দিবলৈ ধৰাত তেওঁলোকৰ ঢক ছুটিল। তেওঁলোক বাটৰ অ'ত ত'ত বহি পৰিল। কোনোবা উবুৰি খাই, কোনোবা উজুটি খাই, কোনোবা দীঘল দি হামখাৰ খায়ো পৰিল।

ৰজাই বহু দূৰৰপৰা চিঞৰি চিঞৰি বিনন্দক ক'লে, “হাৰে হেই ছোক্‌ৰা, তোৰ কাযতেই পানী, তাত জঁাপ দিছ যদি বাপ বাপ সুঁৰৰিব লাগিব!”

“শুনক চণ্ডমাৰ্তণ্ড মহাৰাজ! কেৱল পানী নহয়, পাহাৰ আছে, হাবি আছে, বাঘ আছে ঘোং আছে—বহু বাধা-বিপদ-

বিঘিনি আছে। এই অৰণ্যৰ তথা পৰ্বতৰ সিপাৰতো মোৰ কাৰণে বিপদ নথকা নহয়, পিছে—আপোনাৰ ৰাজ্যত থকাটো অধিক বিপদজনক।” এই বুলি কৈ কৈ বিনন্দ গৈ থাকিল।

ৰজা আৰু তেওঁৰ অনুচৰসকলে ভেবা লাগি বিনন্দৰ যোৱাৰ পিনে চাই ৰ'ল। বিনন্দই অঠাই পানীত জঁপিয়াই পৰি চিঞৰি চিঞৰি ক'লে, “হে ৰজা, মই এতিয়া সিপাৰলৈ গৈছোঁ……।”

ৰজাই চিৎকাৰ কৰি বিনন্দক ক'লে, “অ'ৰে অ'ই ছোক্‌ৰা, শুন—, সিপাৰলৈ যোৱাহঁত কেতিয়াও আৰু নোভতে, উভতি

আহিব নোৱাৰে। সিপাৰলৈ যাবহে পাৰি, ঘূৰি আহিব নোৱাৰি। মই তোমাক পুনৰ সাৱধান কৰিছোঁ---না-যা-বা!"

"সিপাৰলৈ যোৱাইঁতে ঘূৰি আহিবলৈ বিচাৰিছিলনে নাই তাৰো প্ৰমাণ নাই। অৱশ্যে—ঘূৰি আহিবলৈ যে বিচৰা নাছিল তাৰো প্ৰমাণ নাই। যি কি নহওক— মই এই সোণৰ প্ৰতিমাত প্ৰাণ সঞ্চাৰৰ ৰহস্য নজনাকৈ নোভতোঁ। মই উভতি নহালৈকে আপুনি এই মূৰ্তিটি সযতনে ৰক্ষা কৰে যেন, মহাৰাজ!" বিনন্দই চিঞৰি চিঞৰি ৰজাক কথাবোৰ ক'লে।

"ঠিক আছে, তই চিন্তা নকৰিবি।" ৰজাই বিনন্দক ক'লে, "মূৰ্তিত প্ৰাণ সঞ্চাৰৰ ৰহস্য জানি উভতি অহামাত্ৰেই মোৰ চম্পাৱতীৰ সৈতে তোৰ বিয়া পাতি দিম, ৰাজ্যৰো এভাগ তোক দিম. ধন-সোণ ইমান দিম যে তই দুয়ো হাতে খায়ো শেষ কৰিব নোৱাৰিবি।"

তাৰপাছত বিনন্দক আৰু দেখা নগ'ল। বিনন্দ বিশাল পানীত নোহোৱা হ'ল।

অঠাই পানীৰ তীব্ৰ সোঁতৰ বিৰুদ্ধে সাঁতুৰি সাঁতুৰি বিনন্দই সিপাৰ পালেগৈ। তেতিয়া মুনি-চুনিৰ পোহৰ। ঠাইডোখৰ সৰু সৰু পাহাৰেৰে আগুৰা। বিনন্দই লাহে-ধীৰে এটা সৰু পাহাৰ বা টিলাৰ টিঙিত উঠিলগৈ। আৰু ঠিক সেই মুহূৰ্ততে কোনোবাই ক'ৰবাৰপৰা কৈ উঠিল, "এই ল'ৰাটো কোন ঔ?"

বিনন্দই পিছফাললৈ ঘূৰি চালে। আৰু চায়েই বুঢ়া মানুহ এজনক দেখা পালে। বুঢ়া মানুহজনেও বিনন্দলৈ ট'ট'কৈ চাই আছিল। এই দীঘলদাঢ়ীয়া বুঢ়াৰ চকুৰ দৃষ্টি আছিল তীব্ৰ-তীক্ষ্ণ। বিনন্দৰ ধাৰণা হ'ল—এই চকু সাপৰহে চকু!

বুঢ়াই বিনন্দক সুধিলে, "তুমি কোন? ক'ৰপৰা আহিলা? ইয়াত কি লাগে তোমাক? তুৰন্তে উত্তৰ দিয়া।"

"মোৰ নাম বিনন্দ। ইয়াত—

বুঢ়াই ক'লে, "তুমি সৌ নৈখন সাঁতুৰি পাৰ হৈ যোৱা, বিচৰা বাট পাবা!"

বুঢ়াৰ কথাত পতিয়ন গৈ বিনন্দ তৎক্ষণাৎ নৈৰ বুকুত জঁপিয়াই পৰি নৈখন পাৰ হৈ সিপাৰ পালেগৈ। কিন্তু সিপাৰৰ মাটিত ভৰি দিয়াৰ লগে লগে বিনন্দ অতিপাত বিস্মিত হ'ল—তাতো সেই দাড়ীয়া বুঢ়াক দেখা পাই।

বিনন্দই বুঢ়াক সুধিলে, "তুমি ইয়ালৈ কেনেকৈ আহিলা? তুমি তো সাঁতুৰি নৈ পাৰ হোৱা নাই!"

"মই জাদুশক্তিৰ বলতে আহিলোঁ।" বুঢ়াই নিৰ্লিপ্তভাৱে ক'লে।

"সেয়ানো কেনেকৈ সম্ভৱ!" বিনন্দই অবাক কণ্ঠেৰে সুধিলে।

"সম্ভৱ। কিয়নো—কিয়নো—আমি সকলোটিয়েই শক্তি-তৰংগৰ উৎস। সঠিক জ্ঞান থাকিলে আমি যেতিয়া যেনে মন যায়, তেতিয়াই তেনে ৰূপ ধাৰণ কৰিব পাৰোঁ আৰু যিকোন কাম সুকলমে কৰিব পাৰোঁ। আৰুসেই কাম কৰাৰ অন্তত পুনৰ মানুহৰ ৰূপ ল'ব পাৰোঁ।"

দাড়ীয়া বুঢ়াই তাৰ মস্ত দীঘল দাড়ি-কোচাত হাত ফুৰাই ফুৰাই ক'লে।

বিনন্দই সন্দেহৰে ক'লে, "হয়নে!"

"তোমাক অথনি মই কৈছোঁৰেই যে এতিয়ালৈকো মই একো কৰা নাই। পিছে—তুমিনো কোন? তোমাৰ পৰিচয় কি?" বিনন্দই বুঢ়াক সুধিলে।

"তোমাৰ কথাবোৰ বৰ একাচেকা বিধৰ। মই একেবাৰে ভাল পোৱা নাই। যি কি নহওক, মই এই ঠাইৰ ৰক্ষক, মই পুৰোহিত। পিছে—তোমাৰ উদ্দেশ্য কি?" বুঢ়াই বিনন্দক ঘূৰাই সুধিলে।

"উদ্দেশ্য — হওঁতে এটা আছে।" বিনন্দই ক'লে. "পিছে—ইয়াত নহয়। বহু দূৰলৈ মই যাবলৈ ওলাইছোঁ। যদিও কোন বাটেদি তালৈ যাব লাগিব তাকেহে নাজানো।"

তুমি জ্ঞানভূমি পাইছাহি। পিছে—এই জ্ঞান কিছুমানৰ মানত অপৰিসীম বুলি বোধ হ'ব পাৰে, আকৌ আন কিছুমানে এই জ্ঞানক স্বাভাৱিক বুলি ভবাটোও অস্বাভাৱিক নহয়।" এই বুলি কৈ বুঢ়া বিনন্দৰ পিনে আগবাঢ়িল।

দঢ়ীয়া বুঢ়াক তেনেকৈ আগুৱাই অহা দেখি বিনন্দ দুখোজমান হুঁহকিল। বুঢ়াই বিনন্দৰ আও-ভাও দেখি আমনি পোৱা যেন হৈ ভুৰু কোঁচাই ক'লে, "ইমান অহংকাৰ ভাল নহয়। তুমি কেতিয়াও মই ঢুকি নোপোৱাত যাব নোৱাৰিবা। আৰু—তুমি যদি এই জ্ঞানভূমিত থাকিবা, মোক স্পৰ্শ কৰি নতুন নাম ল'ব লাগিব।"

"নতুন নাম! কিয়?" বিনন্দই ক'লে, "মোৰ এটা নাম আছেই দেখোন।"

"আছে নহয়, আছিল। কিন্তু সেই নামটো তোমাৰ যে কেনেকৈ মনত আছে এতিয়াও—মই একেবাৰে বুজা নাই।" দঢ়ীয়াই বিস্ময় প্ৰকাশ কৰি ক'লে।

"বাহ্!" বিনন্দই কৈ উঠিল, "মোৰ নামটো মোৰেই মনত নাথাকিব!"

"এই নৈত নমাৰ লগে লগে তোমাৰ আগৰ নাম কিয় যে পাহৰি পেলোৱা নাই—ভাবিকে পোৱা নাই। এই নৈৰ পানীত নামিও যিহঁত নিজৰ নাম নাপাহৰে এই জ্ঞানভূমিত সিহঁতৰ ঠাই নাই।" দঢ়ীয়াই দঢ়াই দঢ়াই ক'লে।

"মই তোমালোকৰ জ্ঞানভূমিৰ অধিবাসী হোৱাৰ বাবে মুঠেই আগ্ৰহী নহওঁ। মই এজন বাটৰুৱা, এই বাটেদি বাট বুলি বুলি গৈ আছোঁ মাথোন।" বিনন্দই দঢ়ীয়া বুঢ়াক ক'লে।

"এই জ্ঞানভূমিৰ অধিবাসী হোৱাটো যে কিমান আনন্দৰ বিষয়—তুমি নাজানা বুলিহে তেনেকৈ কৈছা। যি কি নহওক, তুমি আকৌ এবাৰ নৈত নামাচোন।" বুঢ়াই বিনন্দক অনুৰোধ কৰি ক'লে।

"কিয় নামিম?" এই বুলি কৈ

বিনন্দই তাৰ আঙঠিটোৰ পিনে চালে আৰু সি ভাবিলেঃ এই আঙটিটোৰ গুণতে মই কিজানি এইখন জাদু-নৈত নামিও নিজৰ নামটো পাহৰি পেলোৱা নাই। এই আঙঠিৰ গুণতে এতিয়ালৈকে কোনো বিপদো হোৱা নাই।

হঠাৎ দঢ়ীয়া বুঢ়াই গম্ভীৰভাৱে হাত চাপৰি বজালে আৰু পাহাৰে-পৰ্বতে এই হাত চাপৰিৰ প্ৰতিধ্বনি উঠিল আৰু সেই প্ৰতিধ্বনি ক্ৰমাত বাঢ়িবলৈ ধৰিলে।

বিনন্দই আনন্দিত মনেৰে কৈ উঠিল, "বাহ্! বেছ মজা তো!"

"এয়া মজাৰ বিষয় নহয়, এয়া আমাৰ বৈজ্ঞানিক জ্ঞানৰ ফল।" বুঢ়াই গহীন-ভাৱে বিনন্দক ক'লে।

দঢ়ীয়া বুঢ়াৰ কথা শেষ হোৱাৰ লগে লগেই গছৰ আঁৰৰপৰা কেইজনমান সৈন্য ওলাই আহিল আৰু দঢ়ীয়াই বিনন্দলৈ আঙুলিয়াই সিহঁতক আদেশ দিলে, "এই বিদেশীক তুৰন্তে বন্দী কৰা।"

সৈন্যহঁতে বিনন্দক চাৰিওফালৰপৰা আগুৰি ধৰিলে। কিন্তু বিনন্দই সিহঁতৰ মূৰৰ ওপৰেদি জঁপ মাৰি পাৰ হৈ কাঁড়ৰ গতিৰে গৈ থাকিল। গৈ গৈ বিনন্দই এখন উপত্যকা পালেগৈ। তাত এটা সুদৃশ্য অট্টালিকাও দেখা পালে। কিন্তু অট্টালিকাৰ ওচৰ পোৱাৰ আগতেই দঢ়ীয়াৰ সৈন্যহঁতে পুনৰ বিনন্দক আগুৰি ধৰিলেহি। তেতিয়া বিনন্দৰ দৃষ্টি পৰিল এটা ৰহস্যময় পৰ্বতৰ ওপৰত। আৰু সেই পৰ্বতলৈ চাই দঢ়ীয়াৰ সৈন্যকেইটায়ো ধাৰৰ নল কঁপাদি কঁপি কঁপি, ভীত হৈ পৰিল।

সৈন্যকেইটাৰ এনে বেঙে মূতা গৰুৰ দৰে অৱস্থা দেখি বিনন্দই পুনৰ সেই দূৰৰ পৰ্বতলৈ চাই পঠালে। এইবাৰ বিনন্দই তাত যি দৃশ্য দেখা পালে— সেই অভূতপূৰ্ব দৃশ্য দেখি সি বিৰাট বিস্ময়ত বোবা হৈ পৰিল···। [অহা সংখ্যাত

ৰাজনীতি

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, মাজনিশা বাদুলি, ফেঁচা, ভূত-প্ৰেত আদি সাৰে থাকে। ইহঁতেও কিজানি তোমাৰ এনেহেন যুগ যুগ জোৰা ব্যৰ্থ শ্ৰমলৈ চাই হাঁহিছে। তুমি বাৰু কোনোবা বিশ্বাসঘাতী শত্ৰুৰ কপট পৰামৰ্শত এইবোৰ কৰি আছানে? বিশ্বাসঘাতী শত্ৰুৱে যে কিমান অনিষ্ট কৰিব পাৰে— এই কাহিনীভাগ শুনিলেই তাৰ থূলমূল ধাৰণা এটা পাবা।" এই বুলি কৈ বেতালে বিশ্বাসঘাতীৰ কাহিনী ক'বলৈ ধৰিলে:

স্বৰ্ণমুখী দেশৰ ৰজাৰ নাম আছিল

'বেতাল-কথা'



ধৰ্মপাল। বিৰাট বীৰ হিচাপে ধৰ্মপাল খ্যাত আছিল। তেওঁৰ সেনাপতিৰ নাম আছিল নাগভৈৰৱ। নাগভৈৰৱো আছিল বাঘহেন শক্তিমান আৰু উচ্চাশাসম্পন্ন। ৰাজ-সিংহাসন অধিকাৰ কৰাটো আছিল নাগভৈৰৱৰ দিনৰ চিন্তা ৰাতিৰ সপোন। নাগভৈৰৱে যদিও এইভাৱে বিভিন্ন ষড়যন্ত্ৰ পাঙিছিল, পাং পাতিছিল; কিন্তু ৰজা ধৰ্মপালে এইবোৰ নাজানিছিল।

বহু চেষ্টাৰ অন্তত নাগভৈৰৱে কিছুমান লুভীয়া ৰাজকৰ্মচাৰীক ধনেৰে সেও কৰি ৰজা-ৰাণী আৰু আৰু ৰাজকোঁৱৰকো বন্দী কৰিব পৰা হ'ল। নাগভৈৰৱে ৰজা ধৰ্মপাল, ৰাণী নয়নতাৰা আৰু যুৱৰাজ শশিশেখৰক বেলেগ বেলেগ কুঠৰীত বন্দী কৰি কটকটীয়া পহৰাত ভৰাই থ'লে।

কিন্তু ৰজাক বন্দী কৰি থোৱা কুঠৰীটোত এটা গুপ্ত সুড়ংগ আছিল। এই গুপ্ত সুড়ংগৰ সা-সন্ধান নাগভৈৰৱে নাজানিছিল। ৰজাই সেই গুপ্ত সুড়ংগৰ বাটেদি গৈ গৈ অৰণ্যৰ সোঁমাজ পালেগৈ।

আৰু লগে লগে শিখমুখী নামৰ দুৰ্দ্ধৰ্ষ ডকাইত এটা ঘোঁৰাৰ পিঠিত ৰজাৰ আগত ৰ'লহি। ডকাইতটোৱে ৰজাক আদেশ কৰিলে, "তোমাৰ গুচৰত যি আছে উলিয়াই ইয়াত থৈ দিয়া।"

ৰজা ধৰ্মপালে তেওঁৰ গাত থকা অলংকাৰ আটাইখিনি সোলোকাই, ডকাইত শিখমুখীৰ আগত থৈ, নাৰৱে-নিমাতে আগ বাঢ়িল। কিন্তু শিখমুখীয়ে ৰজাক ৰখালে আৰু সুধিলে, "একেবাৰে বিনা প্ৰতিবাদে যথাসৰ্বস্ব দি তুমি গুচি গৈছা যে বৰ? তুমি কোন?"

ধৰ্মপালে ক'লে, "মই স্বৰ্ণমুখী দেশৰ ৰজা। সম্প্ৰতি ষড়যন্ত্ৰমূলক বন্দীত্বৰপৰা পলাই আহিছোঁ।" এই বুলি কোৱাৰ অন্তত, শিখমুখীৰ আগ্ৰহত, ৰজাই তেওঁৰ দুৰ্ভাগ্যৰ তথা নাগভৈৰৱৰ বিশ্বাসঘাতকতাৰ কথা শিখমুখীক ক'লে। পৰিশেষত ৰজাই

মন্তব্য কৰিলে, "বিশ্বাসঘাতক পশ্চাদঘাতী সেনাপতিতকৈ সন্মুখৱৰ্তী ডকাইতকো মই অধিক ভাল পাওঁ, সিহঁতৰ সাহসৰ শলাগ লওঁ বুলিহে তোমাক যথাসৰ্বস্ব দিলোঁ।"

শিখমুখী ঘোঁৰাৰ পিঠিৰপৰা নামি আহিল আৰু ৰজাৰ অলংকাৰৰ টোপোলাটো তেওঁৰ ভৰিৰ ওচৰত থৈ ক'লে, "মহাৰাজ! মোক ক্ষমা কৰক। আৰু শুনক—মোৰ অধীনত কমেও পঁচিছটা দুৰ্দান্ত ডকাইত আছে। যদি আদেশ দিয়ে—ধূৰ্ত নাগভৈৰৱক উচিত শিক্ষা দিব পাৰোঁ।"

"মই ভালেই পাইছোঁ তোমাৰ সহায়ৰ কথা শুনি। পিছে—এতিয়া নহয়, সময় হ'লে মই সহায় ল'ম।" এই বুলি কৈ, ৰজা ধৰ্মপাল তাৰপৰা গুচি গ'ল।

গৈ গৈ এইবাৰ মহাৰাজ ধৰ্মপাল অগ্নিনেত্ৰ নামৰ ৰাক্ষস এটাৰ কবলত পৰিল। অগ্নিনেত্ৰই তেতিয়া এটা বনৰীয়া গাহৰিক মা'ৰ পেলাব ধৰিছিল। কিন্তু আৰ্তনাদ শুনিও ৰজা তাত খন্তেকমানো নৰ'ল। তেওঁ লাহে লাহে গৈ থাকিল।

তেতিয়া ৰাক্ষসটোৱে কৈ উঠিল, "হেৰা মানুহ, মোক দেখা পায়ো তুমি নিৰ্ভয়ে আগুৱাই গৈ আছা!" এই বুলি কৈয়েই ৰাক্ষসটোৱে ৰজাৰ বাওঁ হাতত থাপ মাৰি ধৰিলে। কিন্তু ৰজা ধৰ্মপাল অকণো ভীত নোহোৱাত বিস্মিত ৰাক্ষস অগ্নিনেত্ৰই পুনৰ ক'লে, "তোমাৰ দেখিছোঁ

প্ৰাণৰ মায়া নাই। তোমাৰ দৰে নিৰ্ভীক মানুহ মই আগে আৰু দেখা নাই। তুমি কোন কোৱাচোন?"

"মই স্বৰ্ণমুখী দেশৰ ৰজা ধৰ্মপাল।" ৰজাই অগ্নিনেত্ৰকো আনুপূৰ্বিক সকলো কথা ক'লে আৰু মন্তব্য কৰিলে "ৰজা এগৰাকী নিৰ্ভীক হোৱাটোহে বাঞ্ছনীয়।"

ৰাক্ষস অগ্নিনেত্ৰই ৰজাক ক'লে, "মই তোমাৰ সৈতে এতিয়াই ৰাজধানীলৈ যাম আৰু এই নাগভৈৰৱডালক ভৰিৰে চেপি তৎক্ষণাৎ মাৰি পেলাম।"

"তেনেকুৱা আৱশ্যক হ'লে মই তোমাৰপৰা সহায় প্ৰাৰ্থনা কৰিম।" এই কথা কৈয়েই ৰজাই পুনৰ খোজ ল'লে।

সাতদিন ধৰি খোজ কাঢ়ি কাঢ়ি ৰজা ধৰ্মপাল চুবুৰীয়া ৰাজ্য এখন পালেগৈ। এই ৰাজ্যখনৰ নাম আছিল বৈশালী। স্বৰ্ণমুখী দেশ আৰু বৈশালী দেশৰ মাজত যুগ যুগ জোৰা শত্ৰুত আছিল।

ৰজা ধৰ্মপালে বৈশালীৰ ৰজা সুচৰিত্ৰদেৱৰ সৈতে সাক্ষাৎ কৰি সকলো ঘটনা বিবৰি কোৱাৰ অন্তত সুধিলে, "আপুনি মোৰ সিংহাসন পুনৰাধিকাৰ কৰাত মোক সক্ৰিয়ভাৱে সহায় কৰিবনে?"

বৈশালীৰাজ সুচৰিত্ৰদেৱে ক'লে, "প্ৰিয় ধৰ্মপাল, আপোনালোকৰ সৈতে আমাৰ যুগ যুগ ধৰি শত্ৰুতা। পিছে—আপুনি যিস্থলত বিপদত পৰি সহায় প্ৰাৰ্থনা কৰিছে—আপোনাক মই সাধ্যমতে সহায় নিশ্চয়েই কৰিম। মই নিজেই সসৈন্যে আপোনাৰ সৈতে যাম।"

তাৰ পাছত ৰজা ধৰ্মপালে এক বিৰাট সৈন্যবাহিনীৰে সৈতে স্বৰ্ণমুখীদেশলৈ গৈ, নাগভৈৰৱক পৰাজিত কৰি বন্দী কৰিলে আৰু ৰাণী আৰু যুৱৰাজক মুক্ত কৰিলে।

তাৰ পাছত, পুনৰ সিংহাসনত অধিষ্ঠিত হোৱাৰ অন্তত ৰজা ধৰ্মপালে ডকাইত শিখমুখীক মতাই অনাই ক'লে, "তুমি এই মুহূৰ্তৰেপৰাই ডকাইতি বন্ধ কৰিবা,

নহ'লে কঠোৰ দণ্ড ভুঞ্জিব লাগিব। এতিয়াই তুমি দলে-বলে আত্মসমৰ্পণ কৰা।"

শিখমুখীয়ে ৰজাৰ আদেশৰ উত্তৰত কিবা ক'বলৈ ধৰোঁতেই ৰজাই শিখমুখীক ডাবি মাৰি ক'লে, "মোৰ এই আদেশ পালন নকৰিলে—মৃত্যুদণ্ড, এই কথা স্পষ্টকৈ মনত ৰাখিবা।"

তাৰ পাছত ৰজা ধৰ্মপাল পোনে পোনেই অৰণ্যলৈ গ'ল আৰু ৰাক্ষস অগ্নিনেত্ৰক ক'লে' "অগ্নিনেত্ৰ, তুমি এতিয়া — এই মুহূৰ্ততে আমাৰ ৰাজ্য এৰি গুচি যোৱা। তোমাৰ ভয়ত আমাৰ প্ৰজাবৰ্গ অৰণ্যলৈ খৰি বুটলিবলৈ আহিব নোৱাৰে।"

"যদি গুচি নাযাওঁ— ?" অগ্নিনেত্ৰই কঠিন কণ্ঠেৰে ৰজাক সুধিলে।

ধৰ্মপালে বিজুলীগতিৰে তেওঁৰ চোকৰ তৰোৱালখন খাপৰপৰা উলিয়ালে আৰু তেতিয়াই ৰাক্ষস অগ্নিনেত্ৰই ৰজাৰ শলাগ লৈ স্বৰ্ণমুখীদেশ এৰি গুচি গ'ল।

কিছুদিনৰ অন্তত ৰজা ধৰ্মপালে তেওঁৰ পুত্ৰ যুৱৰাজ শশিশেখৰক সসৈন্যে বৈশালী-দেশলৈ প্ৰেৰণ কৰিলে। যুৱৰাজ শশি-শেখৰে অতৰ্কিতে আক্ৰমণ কৰি বৈশালী-ৰাজ সুচৰিত্ৰক বন্দী কৰি স্বৰ্ণমুখীলৈ লৈ আহিল।

বন্দী ৰজা সুচৰিত্ৰদেৱে ৰজা ধৰ্মপালক সুধিলে, "মহাৰাজ, আমাৰ ঐতিহ্যপূৰ্ণ শত্ৰুতাক অদ্যাপি পাহৰিব পৰা নাইনে?"

ৰজা ধৰ্মপালে নীৰৱ হাঁহিৰে ক'লে, "সেই তথাকথিত ঐতিহ্যপূৰ্ণ শত্ৰুতাৰ অৱসান আপোনাৰ সিদ্ধান্তৰ ওপৰতহে নিৰ্ভৰশীল। আপোনাৰ একমাত্ৰ কন্যাৰ সৈতে মোৰ পুত্ৰ শশিশেখৰৰ যোৰা পাতি দিলে সকলো ধৰণৰ বিৰোধ তথা শত্ৰুতাৰ এতিয়াৰেপৰাই অৱসান হ'ব।"

অলপ পৰলৈ তাপ মাৰি থকাৰ অন্তত বৈশালীৰাজে ৰজা ধৰ্মপালৰ এই প্ৰস্তাৱলৈ সন্মতি জ্ঞাপন কৰিলে। আৰু পাছমুহূৰ্ততে ধৰ্মপালে নিজেই বৈশালীৰাজ সুচৰিত্ৰদেৱক

তেওঁৰ হাতত বন্ধা শিকলিডাল দলিয়াই পেলাই তেওঁক পৰিপূৰ্ণ সন্মানৰে সৈতে মুক্ত কৰি দিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, সেনাপতি নাগভৈৰৱে বিশ্বাসঘাতকতা কৰি ৰজা ধৰ্মপালৰ সিংহাসন অধিকাৰ কৰিছিল। কিন্তু ৰজা ধৰ্মপালেও বিশ্বাসঘাতক কৰা নাছিলনে? তেওঁৰ দুঃসময়ত ডকাইত শিখমুখী, ৰাক্ষস অগ্নিনেত্ৰ আৰু বিশেষকৈ যিজন বৈশালীৰাজে যুগ যুগ জোৰা শত্ৰুতা বিস্মৃত হৈ সিংহাসন পুনৰুদ্ধাৰত সহায় কৰিলে, ধৰ্মপালে এইবিলাকৰ লগত বিশ্বাসঘাতকতা কৰা নাছিলনে? এতেকে —নাগভৈৰৱক যদি প্ৰভুঘাতী কোৱা হয়, ৰজা ধৰ্মপালকো মিত্ৰঘাতী বুলি কোৱা নহ'বনে? হে ৰজা বিক্ৰম মোৰ এই প্ৰশ্নৰ সঠিক উত্তৰ যদি জানিও নিদিয়া, তোমাৰ মূৰ ফাটি নিশ্চয় চাৰিফাল হ'ব।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "ধৰ্মপালে যেতিয়া ডকাইত, ৰাক্ষস আৰু সুচৰিত্ৰক পাইছিল, তেতিয়া ধৰ্মপাল ৰজা নাছিল, আছিল অতি সাধাৰণ নাগৰিক মাথোন। তাৰ পাছত পুনৰ্বাৰ ৰজা হৈ তেওঁ প্ৰজাৰ হিত চিন্তা কৰি ডকাইতক আত্মসমৰ্পণ কৰিবলৈ আৰু ৰাক্ষসক ৰাজ্য এৰি গুচি যাবলৈ ক'লে। বৈশালীৰাজ সুচৰিত্ৰৰ সহায় লৈ সিংহাসন পুনৰুদ্ধাৰ কৰাত যাতে প্ৰজাই তেওঁৰ দুৰ্বল বুলি নাভাবে, তাৰ কাৰণেহে তেওঁ বৈশালীৰ ৰজাকো বন্দী কৰি আনিলে। ধৰ্মপালৰ এইবোৰ কাৰ্য্য ৰাজনীতিৰ অংগ, মিত্ৰঘাতৰ প্ৰশ্ন নুঠে আৰু ৰজা ধৰ্মপালক মিত্ৰঘাত বুলি কোৱা নাযায়।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

শাহু-বোৱাৰী

গাঁৱৰ ল'ৰা-বুঢ়া সকলোৱে এক কথাত বৰ-মাকচিনি পায়। বৰ-মাৰ আছিল এটি ল'ৰা। ল'ৰাটি ডাঙৰ-দীঘল হ'ল। এদিন বৰমাই তাৰ বিয়াৰ কথা চিন্তিলে। আৰু কিছুদিনৰ পাছত বিয়া পাতি দিলে।

বৰমাৰ ন-বোৱাৰীয়ে এদিন ভাবিলে ঃ শাহুৱেৰা নাথাকিলেহে বোৱাৰীহঁতৰ জীৱনত সুখৰ মুখ দেখা যায়। শাহুৱেক থাকেমানে শহুৰি খাটি মৰিব লাগিব। তাতকৈ শাহুৱেক মৰিলেহে মংগল।

এদিন তাই তাইৰ শাহুৱেক বৰমাক ক'লে, "বৰমা, মই তোমাৰ পুতেৰাৰ সৈতে সংসাৰ-ধৰ্ম কৰিবলৈহে আহিলোঁ। পৰিয়ালখনৰ সকলো কাম-বন মইহে কৰোঁ, তুমি শুই-বহি কটোৱা। বহি বহি দিন নিনিয়াই সগ্‌গলৈ যোৱা।"

"এয়ানো কেনে নাশ্রুত-নাভূত কথা কৈছা, বো'ৱী। স্বৰ্গলৈ যোৱাত অৱশ্যে আপত্তি নাই মোৰ—পিছে কমেও এটি নাতি-ল'ৰাৰ মুখ নেদেখি মৰোঁ কেনেকে'?" বৰমাকে তেওঁৰ বোৱাৰীক ক'লে।

"হয়নে—?" বোৱাৰী বগীতৰা বৰমাৰ কথাত আনন্দিত হ'ল। দুবছৰমান অন্তত বৰমাৰ বোৱাৰীৰ এটি ল'ৰা উপজিল। ল'ৰাটোক শাহুৱেকৰ কোলাত দি বোৱাৰী বগীতৰাই এইবাৰ ক'লে, "নাতি-ল'ৰাৰ মুখ দেখা পালেই নহয়, এইবাৰ তেন্তে সগ্‌গলৈ গৈ থাকক।"

"স্বৰ্গলৈ যাওঁ বুলিলেই যাব পাৰিনে বো'ৱী? অলপ ধৈৰ্য্য ধৰা। তাৰ অন্ন-প্ৰাশন হওক, অ আ ক খ শিকক, মোক 'আইতা' বুলি মাতক—তেহে যাম।"

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

বহু দিনৰ অন্তত এদিন বোৱাৰী বগীতৰাই বৰমাক ক'লে, "ল'ৰাৰ অন্নপ্ৰাশন হ'ল, অ আ বুলিব পৰা হ'ল আপোনাকো 'আইতা' বুলি মাতিব পৰা হ'ল। এইবাৰ স্বৰ্গলৈ যাওকেই।"

"খৰখেদা কিহলৈ? বৰমাই ক'লে, "সি দহজনৰ মাজত এজন হৈ উঠক, তাৰ বিয়াখন পাতোঁ—তেতিয়া দেখা যাব।"

তাৰ পাছত এদিন ল'ৰাটো গুচি ডেকাটো হ'ল, তাৰ বিয়াখনো পাতি দিয়া হ'ল আৰু বগীতৰায়ো বৰমাক পুনৰ হেঁচি ধৰিলে স্বৰ্গলৈ যাবলৈ।

বৰমাকে ক'লে, "কথা শুনা, বিয়াখন সচ্চে হ'লহে মাথোন, সিহঁতহালে কেনেকুৱা ঘৰ-সংসাৰ ক'ৰে চাওঁ মই কেদিনমান, তা'পাছত—যাম আৰু।"

কেইদিনমানৰ পাছত এদিন বৰমাকে তেওঁৰ বোৱাৰীক ক'লে, "বো'ৰী, হওঁতে—মোৰ ইচ্ছা পূৰিল। এতিয়া মই স্বৰ্গলৈ হওক নৰকলৈ হওক গুচি যাম। পিছে—তোমাকো এটা কথা কওঁ। তুমি আমাৰ ঘৰলৈ আহিয়েই মোক স্বৰ্গলৈ যোৱাৰ কথা কৈছিলা। পিছে—তোমাৰো দেখোন সময় হ'ল। তোমাৰ ল'ৰা হ'ল, তাৰ বিয়া পাতিলা—আৰুনো কি লাগিছে তোমাক? ব'লা, দুয়ো একেলগে স্বৰ্গ বা নৰকলৈ যাওঁ ব'লা।"

কথা শুনি বোৱাৰী বগীতৰাৰ হাড়তো কঁপনি উঠিল। তাই ভাবিলেঃ হে ভগৱান! মই কি যে ফান্দত পৰিলোঁ! এই জাল ফালি এতিয়া মই ওলাওঁ কেনেকৈ? —বগীতৰাই মুখেৰে ক'লে, "বৰমা, কিয়নো ইমান সোনকালে আপুনি মৰিব লাগিছে? কিহৰ কষ্ট? আপুনি এতিয়াই ক'লৈকো যাব নেলাগে। আৰু বিছ বছৰমান শুই-বহি থাকক।"

বৰমাকে ওপৰি ওপৰি ভেবা লগা ভাৱ দেখুৱাই, মনতে মিঠাকৈ হাঁহিলে।

আমাৰ দেশৰ বিচিত্ৰ কথা

অমৃতসৰৰ স্বৰ্ণমন্দিৰ

চতুৰ্থজনা শিখ গুৰু ৰামদাসৰ আমোলত অমৃতসৰৰ স্বৰ্ণমন্দিৰ নিৰ্মিত হৈছিল। স্বৰ্ণমন্দিৰ হ'ল শিখ সম্প্ৰদায়ৰ পৱিত্ৰ স্থান। এই মন্দিৰৰ চাৰিখন প্ৰবেশদ্বাৰে ভক্ত সৱলৈ অবিৰত আহ্বান জনাইছে।

এইছোৱা অঞ্চল সম্ৰাট আকবৰে শিখ-গুৰু ৰামদাসলৈ উপহাৰ দিছিল। ১৫৭৭ চনত গুৰু ৰামদাসে তাত এটি সৰোবৰ খন্দাইছিল আৰু সেই সৰোবৰৰ নাম দিছিল ‘অমৃতসৰস্’। তেতিয়াৰেপৰাই এই অঞ্চল ‘অমৃতসৰ’ হিচাপে খ্যাত।

শিখসকলৰ পঞ্চম গুৰু অৰ্জুনদেৱে সেই সৰোবৰৰ সোঁমাজত মন্দিৰ নিৰ্মাণ কৰিবলৈ চেষ্টা কৰিছিল। শিখ ধৰ্ম যে সৰ্বজনীন, সেই কথা প্ৰতিষ্ঠাৰ মনেৰে অৰ্জুনদেৱে মুছলিম সম্প্ৰদায়ৰ অন্যতম মিঞা মীৰৰদ্বাৰাই এই অপৰূপ মন্দিৰৰ সুন্দৰ ভেটি-শিল স্থাপিত কৰিছিল।

১৮০৩ চনত মহাৰাজ ৰণজিৎ সিংদেৱে মন্দিৰৰ তলৰ ভাগ শিলেৰে গাঁথি উলিয়াইছিল, মন্দিৰ দেৱালবিলাক তামেৰে বন্ধাই তাৰ ওপৰভাগ সোণেৰে মেৰিয়াই দিছিল। এই সোণৰ পৰিমাণ আছিল কমেও ৪০০ কিলোগ্ৰাম।

স্বৰ্ণমন্দিৰৰ কাযতেই আছে শিখ গুৰুৰ পীঠস্থান অকাল-তখ্‌ৎ অমৰ-সিংহাসন। এই তখ্‌ৎ ষষ্ঠ শিখগুৰু হৰিগোবিন্দদেৱে স্থাপনা কৰিছিল। গুৰুসকলে ব্যৱহাৰ কৰা অস্ত্ৰ-শস্ত্ৰবোৰ ইয়াত ৰক্ষিত আছে।





স্বৰ্ণমন্দিৰত প্ৰতিদিন সংগীতৰ ধ্বনি উঠে, মন্ত্ৰ উচ্চাৰিত হয়। ষষ্ঠ শিখ গুৰুজনাই প্ৰতিষ্ঠা কৰা এই অকাল-তখ্‌ৎ দৰ্শন কৰিবলৈ প্ৰতিদিন ভাৰতৰ সকলো ঠাইৰপৰা অগণিত ভক্তৰ সমাগম হয়।

অমৃতসৰৰ আন এক অন্যতম প্ৰধান দ্ৰষ্টব্য হ'ল বাবা অটলগুৰুদ্বাৰা। মহা-গুৰুসকলে ব্যৱহাৰ কৰা বহু সংখ্যক পৱিত্ৰ বস্তু ইয়াত সুৰক্ষিত। ইয়াত বিভিন্ন ধৰ্মমৰ প্ৰামাণ্য গ্ৰন্থাৱলীও আছে।

বাবা অটলগুৰুদ্বাৰাত শিখ ধৰ্মমতৰ বিভিন্ন মূল্যৱান কথা চিত্ৰিত। স্বৰ্ণমন্দিৰৰ নিচেই ওচৰতে নিৰ্মিত এই ন-মহলীয়া সুৰম্য ভৱনে হৰগোবিন্দৰ গুৰুৰ পুত্ৰ বাবা অটলৰায়ক সোঁৱৰাই দিয়ে।

স্বৰ্ণমন্দিৰৰ দক্ষিণৰ ফালে আছে গুৰুৰ উদ্যান। এই উদ্যানৰ নাম গুৰু-কা-বাগ। ৯০ হালিচা মাটিত থকা এই উদ্যানত ডালিম, মুছাম্বি আৰু সুমথিৰাৰ খেতি কৰা হয়। এই উদ্যানত এটি সুন্দৰ সৰোবৰ আৰু বহু সংখ্যক মঠ আছে।





স্বৰ্ণমন্দিৰৰ ওচৰতে আছে জালিয়ান-ওৱালাবাগ। ১৯১৯ চনৰ ১৩ এপ্ৰিল তাৰিখে সাম্ৰাজ্যবাদী বৃটিছ চৰকাৰৰ সৈন্যইঁতে অতৰ্কিতভাৱে আক্ৰমণ কৰি এই ঠাইত ২০০০ মানুহক হত্যা কৰিছিল। এই জালিয়ানওৱালাবাগত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ অমৰ শ্বহীদসকলৰ স্মাৰক নিৰ্মিত হৈছে।

ঘাম আৰু কাম

হজুৰা মুক্তাৰামৰ আছিল চাৰিটা ল'ৰা আৰু ঘৈণীয়েক। চন্দ্ৰমুখী নৈৰ ঘাটলৈ অহা যাত্ৰীহঁতৰ বোজা কঢ়িয়াইছিল মুক্তাৰামে। মুক্তাৰামে তাৰ কষ্টৰ উপাৰ্জনৰ-পৰা অলপ অলপকৈ সাঁচিছিল।

এদিন মুক্তাই ভাবিলে ; কিবা মন্ত্ৰ জনাহেঁতেন কম পৰিশ্ৰমতে অধিক ৰোজকাৰ-পাতি হ'লহেঁতেন। আৰু ভবাৰ লগে লগে কামলৈ তাৰ ৰাপ গুচিল, সি ছড়ন-বনে অনাই বনাই ফুৰিবলৈ ধৰিলে।

আৰু এইদৰে গৈ গৈ এদিন সি ভূতৰ হাবি পালেগৈ। এই অটব্য হাবিত ভূত থকাৰ কথা মুক্তাৰামে আগতেই শুনিছিল। সি শুনিছিল যে—ভূতৰ সৈতে ভাল ব্যৱহাৰ কৰিলে ভূতহঁতে ঢেৰ ঢেৰ ধন দিয়ে সোণ দিয়ে, আনকি ভূতৰ দয়াৰে কোটিপতি হোৱাটোও একেবাৰে নাভূত কথা নহয়।

হাবিৰ লুংলুঙীয়া বাটেদি বহুদূৰলৈ গৈ গৈ হঠাৎ এঠাইত মুক্তাই ভূত এটাক লতাৰ দোলনত দোল খাই থকা দেখা পালে। মুক্তাৰাম কিন্তু ভূত দেখি ভয়াতুৰ নহ'ল। সি কাষ চাপিল।

তাৰ সাহস দেখি ভূতটোৱে তাৰ লিহলিহীয়া দীঘল হাতেৰে মুক্তাৰ কান্ধত হেঁচা মাৰি ক'লে, "হেৰাহে, তোমাৰ ইমান কষ্ট কিহৰ কাৰণেনো ? তুৰন্তে কৈ পেলোৱা। মই তোমাক সহায় কৰিম।"

মুক্তাৰামে কান্দি কান্দি ক'লে, "মই—মই মোৰ ল'ৰাহঁতক, পৰিবাৰক—"

ভূতটোৱে মুক্তাক ৰখাই কৈ উঠিল "অ'—কথা ইমানেই! ঠিক আছে, নাকান্দিবা।" এই বুলি কৈয়েই ভূতটোৱে

লক্ষ্য লহকৰ

আছা—গৈ থাকা। সোণ তথা ধনেৰে তুমি তোমাৰ অতীতক পাহৰি থাকিব পাৰা যদি—তাতকৈ আনন্দৰ কথা আৰুনো হ'ব কি?" এই বুলি কৈ, ভূত দুটাই খেঁ খেঁকৈ হাঁহি থাকিল।

আৰু সিহঁত দুটাই ইহাৰ মুহূৰ্ত্ততে সোণৰ কলহটো এটা মাটিৰ কলহলৈ ৰূপান্তৰিত হ'ল। হঠাৎ তাত আন ভালেমান ভূতো ওলাল আৰু নাচি নাচি হাঁহি থাকিল।

মুক্তৰামে তেতিয়া তাক সোণৰ কলহ দিয়া ভূতটোক লগ ধৰি সকলো কথা ক'লেগৈ। মুক্তাৰ কথা মনপুতি শুনাৰ অন্তত ভূতটোৱে ক'লে, "তুমি হতাশ নহ'বা। কোন দুটা ভূতে যে এই লণ্ডভণ্ড কাণ্ড কৰিলে, মই এতিয়ালৈকো ঠাৱৰ কৰিব পৰা নাই। যি কি নহওক—কোনোবা বিপদগ্ৰস্ত হ'লে তাক সহায় কৰাটো কৰ্তব্য বুলি ভাবোঁ, সেই কৰ্তব্যতেহে মোৰ আনন্দ।" এই বুলি কোৱাৰ অন্তত সি তাৰ কেটোৰক'লা হাত এখন জোকাৰি আন এটা সোণৰ কলহ মুক্তাক দিলে আৰু ক'লে, "এইবাৰ তুমি দক্ষিণৰ ফালেদি গৈ থাকাঁ।"

কিন্তু এইবাৰো আন দুটা ভূতে মুক্তাক আগ ভেটি ধৰিলে। এই ভূত দুটা আছিল চকুচৰহা ভূত। আনৰ ভাল

তাৰ হাতখন দীঘলতকৈয়ো দীঘল কৰি ক'ৰবাৰপৰা এটা সোণৰ কলহ আৰু সেই কলহটোত থকা সোণৰ অলংকাৰখিনি তাক দিলে আৰু ক'লে, "মুক্তা, কলচীটো আৰু অলংকাৰখিনি লোৱা আৰু পোনে পোনেই ঘৰলৈ গুচি যোৱা। আগলৈ যদিকিবা কষ্টত পৰা, আকৌ আহিবা।"

সোণৰ কলহ লৈ, মুক্তাৰাম ঘৰমুৱা হ'ল। অলপ পাছত আন দুটা ভূতে বাট ভেটি ধৰি তাক ক'লে, "চোৰাঁ, আন কাৰোবাৰ আনন্দত আমি কদাপি আনন্দিত নহওঁ। পিছে—তুমি যেতিয়া আনন্দৰে এইবোৰ কঢ়িয়াই লৈ গৈ

হোৱা দেখিলেই সিহঁতৰ কলিজা ডেই-পুৰি যায়। সিহঁত দুটাই মুক্তাক ক'লে, "তুমি যি বস্তু কঢ়িয়াই নিছা, সেই বস্তু ক'ৰপৰা আনিছা, আমি চাবলৈ বিচাৰোঁ।"

আৰু ভূত দুটাৰ কথা শেষ হোৱাৰ লগে লগে নিমিষতে সোণৰ কলহ নোহোৱা হ'ল। সেই মুহূৰ্ততে তাত ক'ৰবাৰপৰা বিৰাট কদাকাৰ বাদুলি এটা আহিল। বাদুলিটোৱে তাৰ চাৰিও-কাষে ডেউকা কোবাই কোবাই উৰি ঘূৰি থাকিল। এইবাৰ মুক্তাৰামৰ ভবৰি উঠিল। তিমানতে ভূত দুটা তাৰপৰা নোহোৱা হ'ল।

এইবাৰ আৰু তাক সোণৰ কলহ দিয়া ভূতটোক লগ নধৰি মুক্তাৰাম ঘৰলৈ গ'ল।

পাছদিনা মুক্তাৰাম হুজুৱাৰ কামলৈ নোলাই পুনৰ সেই হাবিলৈ গ'ল। সি তাত সেই ভূতটোক দেখা পালে।

মুক্তাৰামৰ দুখৰ কথা আদ্যোপান্ত শুনাৰ অন্তত ভূতটোৱে তাক ক'লে, "চোৱাঁ, অসহায় মানুহক সহায় কৰাটো মোৰ কৰ্তব্য।" আৰু এইবাৰো ভূতটোৱে মুক্তাৰামক সোণৰ অলংকাৰেৰে ঠাহ খোৱা সোণৰ কলহ এটা দিলে আৰু ক'লে, "এইবাৰ তুমি ঈশান কোণেদি গৈ থাকাঁ।"

আন ভূতবিলাকলৈ গালি-শপনি পাৰি পাৰি মুক্তাৰাম গৈ থাকিল। এইবাৰ সি দানীভূতটোক উদ্দেশি ক'লে, "মই তুমি কোৱামতেই সদায় গৈ থাকোঁ;

কিন্তু শেহান্তৰত লাভৰ সলনি মোৰ লোকচানহে হয়গৈ। এইবাৰো যদি কিবা হয় তোমাৰ কাষো আৰু নাচাপোঁ।”

এই কথ ভূতটোৱে শুনিলে। শুনি ক্রুদ্ধভাৱে ক'লে, “চোৱাঁ, আলৈ-আহু-কালত পৰাহঁতক সহায় কৰাটো মোৰ কৰ্তব্য। তোমাক যিহঁতে বাধা দিব, তোমাৰপৰা কাঢ়ি ল'ব, সিহঁতৰ কবলৰপৰা তোমাক ৰক্ষা কৰাটোও মোৰ কৰ্তব্যয়েই। আচল কথা—সেই বেয়া ভূতবিলাকো মোৰ বন্ধু। গতিকে—সিহঁতক মই একো ক'ব নোৱাৰোঁ। যি কি নহওক—এইবাৰ তুমি মই কোৱামতে গৈ থাকা, মই সিহঁতক মোৰ ওচৰত মতাই অনাম। এইবাৰ তুমি নিৰাপদে যাব পাৰিবা।” এই বুলি কোৱাৰ অন্তত ভূতটোৱে তাৰ বন্ধু ভূত-বিলাকক অচৰিত ধৰণে চিঞৰি চিঞৰি মাতিবলৈ ধৰিলে।

আৰু ঠিক সেই মুহূৰ্ততে মুক্তাৰামক আগতে আগচি ধৰা ভূত দুটা তালৈ আহিল। আৰু আহিয়েই সিহঁত দুটাই মুক্তাৰামৰ হাতত থকা সোণৰ কলহ এমুঠি ভস্মলৈ ৰূপান্তৰিত কৰিলে।

তেতিয়া মুক্তাৰামে বুজি পালে যে এইবোৰ কথা-কাণ্ড এই ভূতবিলাকৰ ভেঁকো-ভাৱনাহে! এটাই ধন-সোণ দিব, আনবিলাকে সেইবোৰ নোহোৱা কৰিব। আচলতে এই ভূতবিলাকে আনক পাকত পেলাই মজাহে পায়।

ভূতৰপৰা ধন-সোণ পাই মজা মাৰি বহিখোৱা ফুকন হোৱাৰ আশা কৰি সি যে বৰ ভুল কৰিলে, এইবাৰ সি সেই কথা ভালকৈ বুজি পালে।

এই ঘটনাৰ পাছৰপৰা হজুৱা মুক্তাৰামে আৰু এমুহূৰ্তলৈকো ভূতৰপৰা ধন-সোণ পোৱাৰ আশা নকৰি নিজৰ বাহুবলৰ ওপৰত নিৰ্ভৰ কৰি ঘাম উলিয়াই কাম কৰি আনন্দৰে জীৱন যাপিবলৈ ধৰিলে।

কৃষ্ণাৱতাৰ

৫

গোটেইখন গোকুলেই যেনিবা বাট বুলি বুলি গৈ থাকিল। তেওঁলোকৰ লগতে আছিল গৰুৰ পাল। আৰু ধান চাউল গাখীৰ ক্ষীৰ লৱনু আদি তো আছিলেই। হাজাৰ-বিজাৰ বাটৰুৱা, বাটৰুৱাসকলৰ কথা-বতৰা, ডেকা গাভৰু-হঁতৰ গীত-মাত আদিৰে গোটেই বাটছোৱা মুখৰ হৈ উঠিছিল। সংসাৰৰ যাৱতীয় বয়-বস্তুৰে সৈতে, ঘৰচীয়া প্ৰাণীবোৰৰে সৈতে গৈ গৈ গৈ গৈ ভগৰি-জুগৰি এসময়ত তেওঁলোক গোকুল এৰি বৃন্দাৱন পালেগৈ।

*

বৃন্দাৱনত বসতি কৰাৰ পাছৰেপৰাই গোকুলবাসীৰ জীৱন উন্নত হৈ উঠিল। তেওঁলোকৰ একসুৰীয়া জীৱনধাৰাত নতুনৰ প্ৰাণ-প্ৰবাহ প্ৰবাহিত হৈ থাকিল। তেতিয়া কৃষ্ণ আছিল মুঠেই তেৰবছৰীয়া।

*

তাৰ পাছত আহি গ্ৰীষ্মকাল। আৰু গ্ৰীষ্মকাল আৰম্ভ হোৱাৰ লগে লগে গৰুৰ পাল অসুস্থ হৈ পৰিল। গাই গৰুবিলাকৰ মুখৰপৰা ফেনও লাই থাকিল, কিছুমানৰ গা চিৰাল ফটা দিলে। কিছুমান গাই-গৰুৰ গাত পোক-পৰুৱা উপজিল।

*

কথা মাথোন সিমানেই নাছিল। এই নতুন ঠাইত জহৰ দিন অহাৰ লগে লগে নন্দ, যশোদা, ৰোহিণী আদিও

‘বিষবৃক্ষ উৎপাটন’

একেদৰেই অসুস্থ হৈ পৰিল আৰু লগতে। অন্যান্য ভালেমানো অসুস্থ হ'ল।

*

তেতিয়াই কৃষ্ণই ভাবিলে : এই ঠাই পৰিত্যাগ নকৰিলে অসুস্থ মানুহখিনিক সুস্থ কৰি তোলাটো টানেই হ'ব! এই কথা লৈ কৃষ্ণই বলৰামৰ সৈতেও আলোচনা-বিলোচনা কৰি থাকিল। আৰু—আলোচনাৰ অন্তত ভালেমান গৰুৰ লগত লৈ কৃষ্ণ আৰু বলৰাম এক ক্ৰোশ দূৰৱৰ্তী ঠাইলৈ গুচি গ'ল।

*

ক্ৰমে ক্ৰমে, গাই-দামুৰী-বলদবিলাক, অৰ্থাৎ আটাইবোৰ গৰু আৰু লগতে ভালেমান গৰখীয়াও এক ক্ৰোশ দূৰলৈ গ'লগৈ। তাৰ ফলত অসুস্থ হৈ পৰা সেই গৰুবিলাক ক্ৰমাত সুস্থ হৈ উঠিল। তালৈ যোৱাৰ পাছত গৰখীয়াহঁতো সুস্থ হ'ল।

*

তেতিয়া বহুতেই বৃন্দাৱন এৰি সেই দূৰণিবটীয়া ঠাইলৈ যাবলৈ ইচ্ছা প্ৰকাশ কৰাতঅ নিচ্ছুক নন্দই ক'লে, "বৃন্দাৱন হ'ল আমাৰ বাসভূমি। ইয়াত যিয়েই নঘটক, সহ্য কৰিব লাগিব! প্ৰতিকূল অৱস্থাক ভেঁটিব লাগিব। আজি অ'ত, কালিলৈ ত'ত কৰি থাকিলে আগলৈ অঘৰীহে হ'ব লাগিবগৈ। আত্মীয়-কুটুম্বসকলৰ সৈতে মনৰ বন্ধন টুটিব, সকলো বন্ধু-বান্ধৱৰ সৈতে সা-সম্পৰ্ক নোহোৱা হ'ব।"

*

এই কথা শুনি—নন্দ, যশোদা আৰু ৰোহিনীক লৈ যে কি কৰিব—সেই কথা কৃষ্ণই একোভাবি উলিয়াব নোৱাৰিলে।

*

এনে অৱস্থাত বৃদ্ধ এগৰাকীয়ে ক'লে, "আমি হ'লোঁ গৰখীয়া, গো-ধনেই হ'ল আমাৰ জীৱনৰ মূলধন। আমি মূলতঃ পশুপতি শিৱৰ ভক্ত। শিৱাৰ্চনা বিনে আমাৰ দুখ-কষ্ট কদাপি নুগুচে। ব্ৰাহ্মণ

মতাই অনাই এতিয়া শিৱাৰ্চনা কৰা আৱশ্যক, তেহে আমাৰ ৰোগ ব্যাধি গুচিব।"

*

বৃদ্ধৰ কথাত গৰখীয়াইঁতে ব্ৰাহ্মণ বিচাৰি আনিলে আৰু তাৰ পাছত একেৰাহে ছদিন ধৰি শিৱৰ পূজা কৰিলে।

*

সাতদিনৰ দিনা, দুপৰীয়াৰ পৰতে, এগৰাকী ব্ৰাহ্মণে বলিয়াৰ দৰে হো হোকৈ হাঁহি মাৰি চিঞৰি কৈ উঠিল, "পৰমেশ্বৰে মোক কৈলাসৰপৰা ইয়ালৈ পঠাইছে। মই ইয়ালৈ যাত্ৰা কৰাৰ আগতে শিৱই মোক ক'লে, 'হেৰ শঙ্খকণ, কালিন্দী নৈৰ তীৰত যিহঁত ৰোগাক্ৰান্ত হৈ পৰিছে, সিহঁতক ৰোগমুক্ত কৰগৈ যা'। শুনা, তোমালোকৰ পূজাত তুষ্ট হৈছে শিৱই মোকইয়ালৈ পঠালে। কিন্তু—তোমালোক কিয় ৰোগাক্ৰান্ত হৈছা সেই কথা জানানে? নিশ্চয় নাজানা। মই কওঁ শুনা:

*

"দ্বাপৰ যুগৰ অন্তত ৰাক্ষসহঁতে ভূলোকত চূড়ান্ত অত্যাচাৰ কৰিবলৈ ধৰিছিল। সিহঁত বিভিন্ন ৰূপত জন্ম লৈছিল। বিৰোচনৰ পুত্ৰ কাল কলি ৰাক্ষসে এজোপা বিষবৃক্ষৰ ৰূপত যমুনা নৈৰ তীৰত জনম ল'লে। এই বিষ-বিৰিখজোপাৰ চাৰিওকাষতে ভালেমান সৰু সৰু বিষবৃক্ষ আছে। কেইজোপমান বিষবৃক্ষ কাঁইটীয়া। এইবোৰ বিৰিখৰ বা নাসাৰন্ধ্ৰৰ মাজেদি দেহৰ অভ্যন্তৰলৈ যোৱাৰ ফলতহে ইমান ৰোগ-ব্যাধিৰ সৃষ্টি হৈছে। একমাত্ৰ আৰু নন্দৰ পুত্ৰ বলৰামেহে এইবোৰ বিষবৃক্ষ নিৰ্মূল কৰিব পাৰিব, আৰু তেতিয়াহে তোমালোকে ৰোগ-ব্যাধিৰ কবলৰপৰা ৰেহাই পাবা। তোমালোকক এইবোৰ কথা ক'বলৈহে স্বয়ং শিৱই মোক ইয়ালৈ পঠাইছে। মোৰ কথা শেষ। মই এতিয়া যাওঁ। তোমালোকে যি কৰি থাকা।"

ব্ৰাহ্মণৰ এই অশ্ৰুতপূৰ্ব কথা শুনি

তাত প্ৰত্যেকে স্বস্তিৰ উশাহ এৰিলে।

*

সিদিনা আছিল শিৱাৰ্চনাৰ সপ্তম দিন। শিৱাৰ্চনা তথা পূজাৰ অন্তত গৰখীয়াহঁতে কৃষ্ণ আৰু বলৰামক সকলো কথা ক'লেগৈ। সিহঁতৰ কথা খিনি শুনাৰ অন্তত বলৰাম আৰু কৃষ্ণই আনন্দৰে সৈতে ক'লে, "স্বয়ং শিৱৰ নিৰ্দেশ আখৰে আখৰে নিশ্চয় পালন কৰিব লাগিব আৰু আটাইবোৰ বিষবৃক্ষ নিৰ্মূল কৰিবই লাগিব।"

*

তাৰ পাছত কৃষ্ণই ব্ৰাহ্মণসকলক নমস্কাৰ কৰি, শিৱক সাষ্টাংগে প্ৰণাম কৰি, ভক্তি-ভাৰেৰে শিৱমন্দিৰ প্ৰদক্ষিণ কৰাৰ অন্তত বিষবৃক্ষ নিৰ্মূল কৰিবলৈ দা, কুঠাৰ আদি হাতত লৈ বলৰামক লগত লৈ ওলাল।

*

বিষবৃক্ষ যে ক'ত ক'ত আছে, সেই কথাৰ উমান লোৱাত কৃষ্ণ-বলৰামে টান নাপালে। কৃষ্ণ আৰু বলৰামে যিমানেই কীকাৰণাৰ পিনে আগবাঢ়ি গৈ থাকিল, বিষাক্ত বিৰিখৰ তীব্ৰ গোন্ধ ভাহি আহিল।

*

ডাঙৰ বিষবৃক্ষজোপৰ ওচৰ পাই দেখিলে যে সেইজোপা বিষবৃক্ষ আনকি দেখাতো অতি ভয়ংকৰ। এই বৃক্ষজোপা প্ৰায় আকাশলংঘা! এইজোপা চাৰিওফালৰ অসংখ্য কাঁইটীয়া গছ-গছনিৰে আগুৰা। ঘাই বিষবৃক্ষৰ একো একোডাল ঠাল-ঠেঙুলি হাতীৰ শুঁৰৰ দৰে আৰু সেইবোৰ শুঁৰ তথা ঠাল চাৰিওফালে বিয়পা। এই বৃক্ষত বিৰাট বিৰাট আৰু দেখাত অতি ধুনীয়া ফল ওলমি আছে। কিন্তু এইবোৰ ফল উৎকট দুৰ্গন্ধযুক্ত।

*

কৃষ্ণ-বলৰামে কাঁইটীয়াই গছ-গছনিবোৰ এফালৰপৰা কাটিবলৈ ধৰিলে, হাতীৰ শুঁৰৰ দৰে আগবাঢ়ি অহা ঠাল-ঠেঙুলিবোৰ ভাঙি পেলাবলৈ ধৰিলে,



আৰু কৃষ্ণ-বলৰামৰ সৈতে এই কামত উজান দিলে অসংখ্য গৰখীয়া। লগত অন্যান্য মানুহেও এই কামত লাগি পৰিল।

*

বহু সময় ধৰি কাঁইটীয়া গছ-গছনিবোৰ পৰিষ্কাৰ কৰি কৰি অৱশেষত যেতিয়া কৃষ্ণ-বলৰামে ঘাই গছজোপাক কাটি পেলাবলৈ উদ্যত হ'ল, তেতিয়া হঠাৎ অসংখ্য গাই-দামুৰি সেই গছজোপালৈ তীব্ৰ গতিৰে ঢপলিয়াই আহিবলৈ ধৰিলে।

*

কিন্তু এই গাই-দামুৰিবিলাকৰ এটাও আচলতে প্ৰকৃত গাই-দামুৰি নাছিল। যিবোৰ সৰু-সুৰা ৰাক্ষস এসময়ত কাঁইটীয়া গছ-গছনিৰ ৰূপত ডাঙৰ বিষবৃক্ষজোপাক পৰ দি ৰৈ আছিল, কৃষ্ণ-বলৰামে কাটি পেলোৱাৰ পাছত সিহঁতেই গাই-দামুৰিৰ ৰূপ লৈ এই বিৰাট বিষবৃক্ষজোপালৈ তীব্ৰভাৱে ঢপলিয়াই আহিছিল মাথোন।

*

কৃষ্ণই আচল কথা নুবুজাকৈ নাথাকিল। সেয়েহে—কৃষ্ণই এই গাই-দামুৰিবিলাকক নিৰ্মমভাৱে মাৰি পেলালে। মৃত্যুৰ আগ-মুহূৰ্তত এইবিলাকৰ আচল ৰাক্ষসৰূপ ওলাই পৰিল আৰু ৰাক্ষসৰ ৰূপতে মৰি থাকিল। যিবিলাক ৰাক্ষস গৰুৰ ৰূপতে মৰিল, সিহঁতক ঘৈণীয়েকহঁতে কৃষ্ণ-বলৰামক সিহঁতৰ শিঙেৰে গঁতিয়াই মাৰিবলৈ চেষ্টা দিলে। কিন্তু কৃষ্ণই ইহঁতকো মাৰি পেলালে। আৰু তাৰ পাছত কৃষ্ণই সেই মাৰাত্মক আৰু বিৰাট বিষবৃক্ষজোপাক নিমিষতে কাটি পেলালে।

*

কৃষ্ণ-বলৰামৰ লগ লাগি যিবোৰ যুৱক গৰখীয়া আহিছিল, সিহঁতে বিষবৃক্ষ, মৃত ৰাক্ষস-ৰাক্ষসী আদিক এঠাইত দ'মাই লৈ জুই লগাই দিলে। চাওঁতে চাওঁতে সেইজোপা বিষবৃক্ষ পুৰি ভস্ম হৈ পৰিল। বিষাক্ত বৃক্ষজোপা কাটিবলৈ ধৰোঁতে

যুৱক গৰখীয়াইঁতৰ সৰ্বদেহ ক্ষত-বিক্ষত হৈছিল। বিষবৃক্ষ ভস্ম হোৱাৰ অন্তত যেতিয়া মনৰ উত্তেজনা কমি আহিল, তেতিয়াহে দেহ যন্ত্ৰণাত অস্থিৰ হ'ল। সিহঁতে যমুনা নৈৰ পৱিত্ৰ পানীত অৱগাহন [স্নান] কৰি দেহৰ-যন্ত্ৰণাক নোহোৱা কৰিলে। সিহঁতে যমুনাৰ পানীত সাঁতুৰি-নাতুৰি গীত গাই থাকিল। এইদৰে প্ৰায় গধূলিলৈকে সিহঁতে যমুনাতে থাকিল আৰু তাৰ পাছত পানীৰপৰা উঠি আহি সিহঁতৰ মাক-ভনীয়েকহঁতে লৈ অহা খোৱাবস্তু খাই, অলপমান জিৰণি লৈ, আনন্দৰে গীত গাই গাই সুহুৰিয়াই গীতৰ লাচতে নাচি নাচি ঘৰমুৱা হ'ল।

*

দিন যায়, মাহ যায়। এতিয়া আৰু বৃন্দাৱনত বেমাৰ-আজাৰ প্ৰায় নায়েই। জহ গুচি বাৰিষা আহিল। আকাশত বিজুলী-ঢেৰেকনিয়ে গাজিলে। ডাৱৰে আকাশখনৰ লগতে পৃথিৱীখনো ক'লীয়া কৰি পেলালে। তাৰ পাছত—ধাৰাসাৰ বৰষুণ নামিল। চাওঁতে চাওঁতে খাল বিল নৈ-পুখুৰী বাৰিষাৰ পৰিষ্কাৰ পানীৰে উপচি পৰিল। জোখে জোখাৰে পানী পাই হালোৱাইঁতৰ মনত আনন্দই নধৰা হ'ল।

এই কালছোৱাত ভাল ভাল ঘটনা ঘটি থাকিল। তাত কুম্ভক নামৰ এগৰাকী ধনিক মানুহ আছিল। তেওঁ আছিল উদাৰচিতীয়া। তেওঁ দান-ধৰ্ম কৰিছিল। দুঃখী লোকসকলৰ সেৱাত তেওঁ সদায় সাজু হৈ থাকিছিল। তেওঁৰ পত্নীও আছিল এগৰাকী পৰদুঃখকাতৰ সেৱিকা। কুম্ভক আছিল যশোদাৰ ভায়েক। কুম্ভকৰ আছিল এটি ল'ৰা আৰু এজনী ছোৱালী। ল'ৰাটিৰ নাম শ্ৰীধাম, ছোৱালজনীৰ নাম আছিল নীলা। দুয়ো আছিল অতি ভাল।

*

অনেক কালৰ আগতে যেতিয়া বিষ্ণুৱে তাৰকাসুৰৰ বিৰুদ্ধে যুদ্ধ কৰিছিল, তেতিয়া,

সেই যুদ্ধত কৃষ্ণকে কালনেমিৰ সাতোপুত্ৰক বধ কৰিছিল। এই ঘটনাৰ প্ৰতিশোধ লোৱাৰ বাবে সেই সাতো ৰাক্ষসে গৰখীয়া বংশত জনম লৈ সমগ্ৰ অঞ্চলত বহু বিধৰ দুষ্কৰ্ম কৰি ফুৰিছিল। কেতিয়াবা কেতিয়াবা সিহঁতে গাই-দামুৰিবিলাকক ধৰি ধৰি খাইছিল। গৰখীয়াহঁতে সিহঁতক বাধা দিয়া হ'লে সিহঁতে গৰখীয়াবিলাককো খাই পেলাইছিল। কৃষ্ণকে যেনেকৈ মানুহৰ উপকাৰ কৰিছিল, তেনেকৈ, ৰাক্ষসহঁতৰ অধাৰ্মিক কাম তথা অত্যাচাৰো তাত দিনক দিনে বাঢ়ি গৈ আছিল। এই অৱস্থা আছিল প্ৰকৃততেই অসহনীয়।

*

এইবোৰ ছদ্ম বশী ৰাক্ষসক সবংশে নিৰ্বংশ কৰিবলৈ কৃষ্ণকে বিভিন্নভাৱে চেষ্টা কৰিও ব্যৰ্থ হৈছিল। ৰাক্ষসহঁতে যেতিয়াই-তেতিয়াই নিজৰ ৰূপ সলাই কৃষ্ণকৰ চকুত বালি মাৰি পলাই ফাট মাৰিছিল।

এনে অৱস্থাত, বৃন্দাৱনবাসীয়ে মিথিলা-নগৰলৈ গৈ মিথিলাৰ ৰজাক নিবেদন কৰিলে, "মহাৰাজ! কৃষ্ণকৰ গৰুৰ পালৰ মাজত সাতটা ষাঁড় আছে। এই ষাঁড় সাতোটাই অসংখ্য গৰু আৰু মানুহকো বধিলে। আমি যিমানেই সিহঁতক ধৰিবলৈ চেষ্টা কৰিছোঁ, ব্যৰ্থ হৈছোঁ। আনকি কৃষ্ণকেও সিহঁতক ধৰিব পৰা নাই। সিহঁতক মাৰিবলৈ গৈ আমিহে মৰিলোঁ। এতেকে—হে মহাৰাজ! এই ষাঁড় সাতোটাক বধি আপুনি আমাৰ মংগল কৰক, আমাৰ গো-ধন দয়া কৰি ৰক্ষা কৰক। আপুনি সিহঁতক নবধিলে, আন কোনো বধোঁতা নাই। আপুনি আমাক ৰক্ষা নকৰিলে, আন কোনো ৰক্ষাকৰ্তা নাই। আপুনি এই বিষয়ে ব্যৱস্থা গ্ৰহণ নকৰিলে ঘৰ-দুৱাৰ মাটি-বাৰী এৰি গুচি যোৱাৰ বাহিৰে আমাৰ অন্য উপায় নাই। হে মহাৰাজ! আমাক কৃপা কৰক!"



সাহসৰ সাৰকথা

হেমগিৰিত ডকাইতহঁতৰ দপদপনি বৰকৈ বাঢ়িল। ডকাইতহঁত সংখ্যাত আছিল মাত্ৰ দহটা; কিন্তু সিহঁত আছিল মৰ-সাহিয়াল। কেৱল ধন-সোণেই নহয়, সিহঁতে সেই অঞ্চলৰ যুৱকহঁতৰ মাজত দুই-এজনকো প্ৰত্যেকবাৰ ধৰি নিছিল। তাৰ ফলত হেমগিৰিত হাঁই-ফাই উঠিল।

বহু দিন ধৰি এনেকৈ ভীতিৰ মাজত বাস কৰাৰ অন্তত আন কোনোবা বাস-যোগ্য গাঁও বিচাৰি উলিয়াবলৈ হেমগিৰিৰ অধিবাসীহঁতে বীৰভদ্ৰক পঠালে।

বীৰভদ্ৰই পোনতে চুবুৰীয়া গাঁৱলৈ গ'ল আৰু সেই গাঁৱৰ গাঁওবুঢ়াক সকলো কথা বুজাই ক'লে।

বীৰভদ্ৰৰ কথাৰ উত্তৰত গাঁওবুঢ়াই ক'লে, "আন কোনো গাঁৱলৈ যোৱাৰ পাছতো যে ডকাইতবিলাইকে তোমালোকক আক্ৰমণ নকৰিব তাৰ কিবা নিশ্চয়তা আছেনে? তোমালোকে যিমানেই দুৰ্বলতা প্ৰদৰ্শন কৰিবা, সিহঁতে সিমানেই আক্ৰমণ কৰিব, যিমানেই পলাবা, সিমানেই খেদি যাব। মনত ৰাখিবা, ভয়-ভীত এৰি বুকু ফিন্দাই থিয় দিব পাৰিলে সিহঁতেইহে তোমালোকৰ নাম শুনিলেও বেঙে মৃতা গৰুৰ দৰে কঁপিব।"

গাঁওবুঢ়াৰ কথাৰ উত্তৰত বীৰভদ্ৰই ক'লে, "আপোনাৰ কথা ঠিক। কিন্তু মেকুৰী ডিঙিত টিলিঙা আৰিব কোনে?"

গাঁওবুঢ়াই এখন্তেক ভাবি লৈ ক'লে, "আমাৰ গাঁৱত প্ৰবোধানন্দ নামৰ এগৰাকী যোগী আছে। তেওঁৰ প্ৰচেষ্টাত আমাৰ গাঁৱৰ ৰাইজ যথেষ্ট সাহসী হৈ উঠিছে।

ভুবন মেধি

তুমি এতিয়াই তেওঁৰ কাষ চাপাগৈ।”

বীৰভদ্ৰৰপৰা ঘটনাৰ কথা শুনাৰ অন্তত যোগী প্ৰবোধানন্দই বীৰভদ্ৰক ক'লে, “মই তোমাৰ লগত তোমালোকৰ গাঁৱলৈ যাম আৰু কিছুদিনৰ ভিতৰত তোমালোকৰ মনোবল বঢ়াম। তেতিয়া ডকাইতহঁতক বাধা দিব পাৰিবা।”

তাৰ পাছত বীৰভদ্ৰ হেমগিৰিলৈ উভতি গ'ল। বীৰভদ্ৰৰ লগত যোগী প্ৰবোধানন্দও আহিল। প্ৰবোধানন্দৰ মহিমা হেমগিৰিত চাওঁতে চাওঁতে প্ৰচাৰিত হৈ পৰিল। হেমগিৰিৰ ৰাইজে তেওঁৰ প্ৰতি অপাৰ শ্ৰদ্ধা নিৱেদিলে। প্ৰবোধানন্দই হেমগিৰিৰ ৰাইজক ধৈৰ্য্য আৰু সাহস অৱলম্বন কৰিবলৈ উপদেশ দিলে। তেওঁ ক'লে, “সাহসেই ত্ৰাণ কৰে, ধৈৰযে দিয়ে কাম, মানুহ তাৰেই নাম।”

হেমগিৰিৰ গাঁওবুঢ়াই প্ৰবোধানন্দক ক'লে, “পৰ-ভু, কথাটো আমিও নজনা নহয়, পিছে—আমি কেতিয়াও যুদ্ধ শিকা নাই তো! আমিনো কেনেকৈ ডকাইত-হঁতক বাধা দিওঁ?”

“ধৈৰ্য্য আৰু সাহস থাকিলে যিকোনো কামতে সফলতা আৰ্জিব পাৰি। কেনেকৈ সাহ-পিত বঢ়াব লাগে, ডকাইতহঁত বেঢ়িব লাগে—মই উপায় কৈ দিম। পিছে—প্ৰতিদিন কিছুসময়লৈ মোৰ কথা শুনিব লাগিব।” যোগী প্ৰবোধানন্দই ক'লে।

“আপুনি আমাক ডেগাৰ আৰু লাঠি চলোৱাৰ কৌশল শিকাই দিয়ক। আৰু নহ'লে জাদু বা মন্ত্ৰ-তন্ত্ৰ। যদি এই দুটাৰ এটাও নিশিকায়, কেৱল মৌমিঠা কথাৰে আমি ডকাইতহঁতক ভেঁটিব বা খেদিব নোৱাৰিম।” গাঁওবুঢ়াই ক'লে।

“আপুনি যিবোৰ শিকাবলৈ কৈছে, মই এটাও শিকাব নোৱাৰিম।” যোগী প্ৰবোধানন্দই ক'লে, “জাদু বা মন্ত্ৰেৰে যে কেনেকৈ ডকাইত খেদিব পাৰি তাকো মই ক'ব নোৱাৰোঁ। মোৰ কথা হ'ল—

অন্ততঃ এজনে মোৰ কথা শুনকহি, তেওঁ সাহসী হৈ উঠেনে নুঠে চাব।”

ৰাইজে গাঁৱৰ আটাইতকৈ ভয়াতুৰ মানুহ এজনক প্ৰবোধানন্দৰ ওচৰলৈ পঠালে। এই মানুহজন আছিল হাড়ে ছালে লগা আৰু নামকৰা তিৰীৰ ভুচুং। তিৰীৰ কথাত উঠে, তিৰীৰ কথাত বহে, তিৰীৰ খকৰামুকুটি সহে। সি আনকি এটা এন্দুৰ বা মেকুৰীলৈকো ভয় কৰিছিল।

প্ৰবোধানন্দই তাক ক'লে, “বাৰু তোমাকেই মই বীৰৰো বীৰ কৰি তুলিম।”

তাৰ ঘৈণীয়েকে তাক ক'লে, “যোগীয়ে মাতিছে যেতিয়া, যোৱা। পিছে—তেওঁ যিয়েই ক'ব তাকে নকৰিবা, কেৱল শুনি থাকিবা আৰু উভতি আহি মোক সকলো কথা ক'বা। আগ-গুৰি নাভাবি-নিচিন্তি যদিহে কিবা কৰিছা, মনত ৰাখিবা, মোৰো নাম ৰণচণ্ডী।”

প্ৰবোধানন্দই তাক ক'লে, “মই তোমাক যি ক'ম, তুমি যদি সাহসৰে সৈতে সেই কথা কোৰা, তোমাৰ একো বিপদ নহ'ব। মই মোৰ জাদু-শক্তিৰে তোমাক বিপদ-বিঘিনিৰপৰা বচাম। মোৰ কথামতে চলি থাকিলে তোমাৰ ধন হ'ব সোণ হব নাম হ'ব খ্যাতি হ'ব। তোমাৰ ৰণচণ্ডী পৰিবাৰ এতিয়া তোমাৰ ওপৰত ৰুষ্ট হ'লেও পাছত তুষ্ট হ'ব। তুমি যে সাহসৰে সৈতে কোনো কাম কৰিব নোৱাৰিবা, সেই ধাৰণা ভুল।”

এইবোৰ কথা ভয়াতুৰ মানুহজনৰ কাণে কাণে মন্ত্ৰ মতাদি মাতি—পৰিশেষত প্ৰবোধানন্দই ক'লে, “এইবাৰ তুমি যাব পাৰা। তুমি কিন্তু কালিলৈ অৱশ্যেই আহিবা। মই তোমাৰ দ্বাৰা এটা অতি সাহসিকতাৰ কাম কৰোৱাম।”

তাৰ পাছত যোগী প্ৰবোধানন্দই তাত গোটখোৱা ৰাইজক ক'লে, “ৰাইজ, অনুগ্ৰহ কৰি আপোনালোকো কালিলৈ এই সময়ছোৱাতে ইয়ালৈ আহিব।”

ভুচুংটোক তাৰ তিৰীয়ে তিহতিহাই উঠি ক'লে, "কী—ঈ! মই জলজীয়াত জীয়াই থাকোঁতেই মৰদক ফুচুলাই লৈ যাব! মই মোৰ মৰদক সাহিয়াল-পাহুৱাল হ'বলৈ নিদোঁ। ভেড়াতে মোৰ সুখ।" তাই গিৰিয়েকক লৈ তাৰপৰা গুচি গ'ল।

পাছদিনা নিৰ্দিষ্ট সময়ত সকলোটি সমৱেত হ'লহি। যোগী প্ৰবোধানন্দই ভয়াতুৰ মানুহজনক ক'লে, "কি হে, তুমি অকলেই আহিছা তো? অকলৈ নাহিলে মই তোমাৰ কাণে কাণে মন্ত্ৰ মাতিম কেনেকৈ? এতিয়া কোৱাঁ, তুমি সাহিয়াল হ'বলৈ নিবিচৰা জানো?"

"প্ৰভু, মোৰ যে কৰ্তব্য কি হ'ব—সেই কথা খাটাং কৰাতহে অলপ সময় লৈছোঁ, ক্ষমা কৰিব। কিন্তু মই বাৰু সাহিয়াল নহ'ম কেলেই, নিশ্চয় হ'ম।" ভয়াতুৰ মানুহজনে ক'লে আৰু লগে লগে যোগীৰ চৰণত প্ৰণাম কৰিলে।

"দেখিলেনে—?" ৰাইজক সম্বোধি যোগীয়ে কৈ উঠিল, "এজন একেবাৰে ধাতু নথকাক কেনেকৈ ধাতুস্থ কৰি তুলিছোঁ!"

তেতিয়া গাঁওবুঢ়াই কৈ উঠিল, "এই মানুহজনৰ দ্বাৰাই কিবা সাহসিক কাম কৰাব বুলি অথনি আমাক কৈছিল। কিন্তু সেই কামটি কৰিবনে নকৰে তাকে খাটাং কৰাত তাৰ পূৰা এটা দিন লাগিল। ইয়াৰ-দ্বাৰাইনো কোনখন লংকাত জুই লগাব?"

গাঁওবুঢ়াৰ কথা শুনি সকলোটিয়ে গিৰ্জনি মাৰি হাঁহি উঠিল।

তেতিয়া বীৰভদ্ৰই ৰাইজক ক'লে, "ৰাইজ, আপোনালোকে এনেকৈ হাঁহি নাথাকিব। যোগীপুৰুষসকলৰ কাৰ্যাৰ মৰ্ম্মাৰ্থ অনুধাৱন কৰাৰ চেষ্টা কৰক। এইবোৰ বুজিবলৈ হ'লে গভীৰ উপলব্ধিৰ তথা অনুভৱ কৰাৰ ক্ষমতা আৱশ্যক।"

যোগী প্ৰবোধানন্দই গম্ভীৰ কণ্ঠেৰে ক'লে, "এই ভয়াতুৰ মানুহজনে তেওঁৰ পৰিবাৰৰ হুকুমক নোলোৱাকৈ এগিলাছ

পানীও নাখায় বুলি আপোনালোকেই কৈছিল দেখোন! সিদিনা মানুহজনৰ পৰিবাৰেও তাক সাহিয়াল-পাহুৱাল হ'বলৈ নিদিব বুলি আপোনালোকৰ আগতেই দম্ফি মাৰি কৈ গ'ল। আৰু আজি সেই একেইজন মানুহে কৈছে যে—তেওঁ নিশ্চয় সাহিয়াল হ'ব! মই যে ভয়াতুৰ মানুহকো সাহিয়াল কৰি তুলিব পাৰোঁ তাৰ দেখ দেখ প্ৰমাণ আপোনালোকে পালেনে?"

এই কথাত কেইজনমানে পুনৰ হাঁহি উঠাত যোগীয়ে পুনৰ দৃঢ়তাৰে ক'লে, "ভয়াতুৰৰ মুখত সাহিয়াল হোৱাৰ প্ৰতিজ্ঞাৰ কথা শুনি ইতিকিং কৰি ইঁহাৰ নৈতিক অধিকাৰ আপোনালোকৰ নাই। কিয়নো—এই মানুহজনে যেনেকৈ তেওঁৰ পাৰবাৰক ভয় কৰে, আপোনালোকেও ডকাইতহঁতক তেনেকৈয়েই ভয় কৰে। আপোনালোকৰ চুবুৰীয়া গাঁৱলৈ ডকাইত-হঁত আৰু কদাপি নোসোমায়, কিয়নো সেই গাঁৱৰ ৰাইজৰ নাম শুনিলেও ডকাইতহঁত ধাৰৰ নল কঁপাদি কঁপে।"

তেতিয়া হেমগিৰিৰ ৰাইজে লাজতে তলমূৰ হৈ যোগীক ক'লে, "ঠিকেই প্ৰভু, এই আটাইতকৈ ভয়াতুৰ মানুহজনৰ বুকুত সাহস সঞ্চাৰ কৰি আপুনি আমাকো সাহসী কৰি তুলিব পাৰিছে। এইবাৰ আমি কিজানি একগোট হৈ ডকাইতহঁতক প্ৰতিৰোধ কৰিব পাৰিম।"

গাঁৱৰ ৰাইজৰ কথাত ভাল পাই যোগী প্ৰবোধানন্দই তাত গোট খোৱা সকলোকে আশীৰ্বাদ কৰিলে আৰু তাৰ পাছত তেওঁলোকৰপৰা বিদায় ল'লে।

কিছুদিনৰ অন্তত ডকাইতহঁতে পুনৰ এই গাঁৱত আক্ৰমণ কৰিছিল, কিন্তু গাঁৱৰ ৰাইজে একগোট হৈ ডকাইতহঁতক মাৰি ভৈয়াম কৰি খেদি দিছিল। এই ঘটনাৰ পাছৰপৰা ডকাইতহঁত সেই গাঁৱলৈ আৰু কেতিয়াও সোমোৱা নাছিল।

পূবো নাই—অষ্টমীও নাই !

এই দুষ্ট চতুষ্টয়ে এজন দুখীয়া হালোৱাৰ পঠাটো চুৰি কৰিলে আৰু গাঁৱৰ বৰপুখুৰীৰ পাৰত থকা বৰগছজোপাৰ তলত পঠাটো কাটি-কুটিবান্ধি-বাঢ়ি খাই অঁতালে।

হালোৱাই বুজি পালে যে গাঁৱৰ বুঢ়াই অৰ্থা- গাঁওবুঢ়াই এই চোৰ চাৰিটাৰ সঠিক বিচাৰ নকৰিব। সেয়েহে, সি পোনেই পোনেই ৰাজধানীলৈ গ'ল। হালোৱাৰ কথা ধৈৰ্য্য ধৰি শুনাৰ অন্তত ৰজাই সেই উংপতীয়া চোৰ চাৰিটাক ধৰি আনিবলৈ আদেশ দিলে।

এই চোৰ চাৰিটাৰ মাজত এটাৰ নাম আছিল চণ্ডু। চণ্ডুৱে ৰজাক ক'লে, "এই দুখীয়া হালোৱাৰ কোনো পঠা-ছাগলী নাছিল। গতিকে—নথকা বস্তু চুৰিৰ প্ৰশ্নই নুঠে।"

হালোৱাই ক'লে, "হেৰ চণ্ডু, বৰপুখুৰীৰ পাৰত থকা বৰগছৰ তলত বহি যিটো কাটি খালি সেইটোনো তেন্তে কি আছিল ? কাৰ আছিল ?

হালোৱাৰ কথাৰ উত্তৰ আন এটা চোৰে ক'লে, "মহাৰাজ, আমাৰ গাঁৱত এটা আনকি ডোবাও নাই, পুখুৰীৰ তো কথাই নুঠে।"

"কেনে অনিয়ায় কথা ! ইমান ধুমুৰ মিছা মই জীৱনতো নাই শুনা, মহাৰাজ ! মহাৰাজ, আমাৰ গাঁৱত পুখুৰী আছে, পুখুৰীটোৰ পূব ফালে আছে বৰগছ এজোপা। যোৱা অষ্টমীৰ দিনা ইহঁতকেইটাই মোৰ পঠাটোক কাটি খালে তাত।" হালোৱাই ক'লে।

লগে লগে গুণ্ডু নামৰ আন এটা চোৰে কৈ উঠিল, "মহাৰাজ, আমাৰ গাঁৱত পূব দিশ বা অষ্টমী বোলা একো নাই। যি বস্তু নায়েই—আপোনাক মিছামিছিকৈ কোৱাটোও উচিত হোৱা নাই। আমি তাৰ পঠা চুৰি কৰি খোৱা নাই। এই কথা গোকাট মিছা।"

দুষ্ট চাৰিটাই যে মিছা কথা কৈছে সেই কথা ৰজাই উপলব্ধি কৰিলে। তেওঁ এইজন সহজ সৰল হালোৱাৰ ক্ষতিপূৰণ কৰিলে আৰু সেই ধূৰ্ত্ত দুষ্ট চতুষ্টয়ক কঠিন শাস্তি বিহিলে।

জ্যোতিষ ৰহস্য

পাৰস্যদেশত এজন দুখীৰো দুখী মানুহ আছিল। তাৰ নাম হবিব। হবিবে বাটে. বাটে ঘূৰি ঘূৰি ইটো সিটো বেহানি আৰু তাৰে কথমপি পেট প্ৰৱৰ্তাইছিল।

এবাৰ দুখীৰো দুখী হবিবৰ বিবিজান ৰহিমাই হমামলৈ অৰ্থাৎ গোছলখানালৈ [গা-ধোৱা ঘৰ] গা ধুবলৈ গ'ল। ঠিক তেতিয়াই এগৰাকী জেনানা [তিৰোতা] গোছলখানালৈ আহিল আৰু গোছলখানাৰ পৰীয়াই চিঞৰি চিঞৰি ক'লে. "গোছল-খানা এই মুহূৰ্ত্তে খালী কৰি দিয়া —আ—আ!"

দুখীৰো দুখী হবিবৰ বিবি খঙতে ৰঙা পৰিল আৰু ক'লে. "ক'ৰবাৰ কোন ছুলতানা ওলালহি যে কোৱামাত্ৰেই গোছলখানা খালী কৰি দিব লাগিব?"

গোছলখানাৰ পৰীয়াই ক'লে. "তুমি তেওঁক চিনি পোৱা—? তেওঁ হ'ল ছুলতানৰ জ্যোতিষীৰ বিবিজান!"

ৰহিমা ঘৰলৈ উভতি আহিল আৰু তাইৰ মৰ্দ (গিৰিয়েক) হবিবক ক'লে. "তোমাৰ নাম নাই যহ নাই একো নাই। অন্ততঃপক্ষে জ্যোতিষী হোৱাহেঁতেনো মোক দহোৱাইজে মানিলেহেঁতেন।"

"চোৱাঁ, মই জোন বেলি তৰাৰ হিচাপেই কৰিব নোৱাৰোঁ—আৰু হেঃ—জোতিষী!" হবিবে হৰিষ-বিৰিষ কৰিলে।

"সেইবোৰৰ কৈফৎ নুশুনিছোঁ মই। তুমি জ্যোতিষী নোহোৱালৈকে তোমাৰ সৈতে আৰু ঘৰ নকৰোঁ — নকৰোঁ।" ৰহিমাই ক'লে, "মই আম্মাৰ (মাক) ঘৰলৈ গুচি যাম, যি কথা সেই কাম।"

'পাৰস্যৰ কিছ্.ছা [সাধু]'

যায়। সেইদেখিহে, তাই গোছলখানাৰ দেৱালৰ গাত থকা বিন্ধা এটাৰ ভিতৰত আঙঠিটো থৈ দিলে আৰু যাতে পাহৰি নাযায়, তাৰ বাবে কেইডালিমান চুলি ছিঙি আনি চকুত পৰাকৈ গুজি থ'লে।

গা-পা ধুই ছাহজাদী গোছলখানাৰপৰা ওলাই আহিল। আহি তেওঁৰ আঙঠিটো বান্দীৰপৰা বিচাৰিলে। কিন্তু ঠিক সেই মুহূর্তত তাইৰ মনত নপৰা হ'ল যে আঙঠিটো তাই ক'ত থৈছে।

অতি বিৰক্ত হৈ ছাহজাদীয়ে বান্দী-জনীক ক'লে, "তুমি যদি মোক মোৰ আঙঠিটো এতিয়াই নিদিয়া, তোমাক —কোতল [বধ] কৰা হ'ব।"

বান্দীজনীয়ে অলপ আঁতৰত হাত-চোৱা হবিবক বহি থকা দেখা পাই তালৈ ল'ৰৰি গ'ল আৰু ক'লে, "ছাহজাদীৰ হাতৰ আঙঠিটো যে মই ক'ত থৈছোঁ— এতিয়া এই মুহূর্ততে মোক সেই কথা কৈ দিব লাগিব।"

হবিবে যে কি ক'ব-কি নক'ব একো ভাবি উলিয়াব নোৱাৰি পাঁজী-পুথিখিনি লুটিয়াই-মেলি চালে, হোৱাই-নোহোৱাই আঁক-বাঁক কৰিলে আৰু গভীৰ চিন্তা কৰাৰ ভাও জুৰিলে।

বান্দীজনীৰ মূৰত আছিল ৰুমাল বন্ধা।

কি আৰু কৰে হবিবে? কেনেবাকৈ পাঁজী-পুথি কিতাব-বহীৰ যা-যোগাৰ কৰি লৈ হাত-চোৱা জ্যোতিষীৰ ভাও জুৰি, বাটৰ একাষত বহি দিলে। বুকুত তাৰ গুমগুমনি, গুচি নাযায় যেন বিবিজনী!

হাত চোৱাৰ বাবে হবিব যেতিয়া বাটৰ দাঁতিত বহি দিলে, ঠিক তেতিয়াই ছাহজাদীয়ে [ৰাজকুঁৱৰী] গা ধুবলৈ গোছলখানলৈ সোমাওঁতে তেওঁৰ বান্দীক [লিগিৰী] ক'লে, "এই আঙঠিটো যত্নৰে থৈ দিয়া, গা ধোৱাৰ অন্তত মই ঘূৰাই ল'ম।"

এই বান্দীজনী আছিল পাহৰা ধানৰ ভাত খোৱা বিধৰ। বহু কথাকে পাহৰি

ৰুমালৰ ফাঁকেদি দুই-চাৰিডালি চুলি ওলাই পৰিছিল। হবিবে ক'লে, "মই কেইডালিমান চুলি দেখা পাইছোঁ।"

আৰু লগে লগে বন্দীৰ মনত পৰিল যে আঙঠিটো তাই ক'ত থৈছে। তাই খৰধৰকৈ গোছলখানালৈ গৈ, দেৱালৰ বিন্ধাত থৈ দিয়া আঙঠিটো উলিয়াই আনি ছাহজাদীক দিলে। তাই ছাহজাদীক ক'লে, "চাহজাদী, সৌ তাত এজন জ্যোতিষী বহি আছে, তেওঁ গুণি-গাঁথি কৈ দিয়াতহে মই আঙঠিটো পালোঁ।"

আৰু এইবাৰহে দুখীৰো দুখী চালিধৰা জ্যোতিষী হবিবৰ অগ্নি-পৰীক্ষা আৰম্ভ হ'ল। যোৱা ৰাতি ছুলতানৰ ধন-ভঁৰালত চুৰি হৈছিল। চোৰৰ সন্ধান আৰু চুৰি হোৱা মোহৰ আৰু সোণৰ সা-সন্ধান ছুলতানক দিব লাগিব। কথা শুনি হবিবৰ মূৰ আচন্দ্ৰাই কৰি উঠিল। কোনে, বা কোনফালে চুৰি কৰিলে সিনো কয় কেনেকৈ? নিৰুপায়ত পৰি সি ছুলতানৰ-পৰা চল্লিছ দিনৰ সময় খুজি ল'লে।

ঘৰলৈ চোৰৰ দৰে উভতি আহি হবিবে তাৰ বিবিক ক'লে, "তোমাৰ কথাত জ্যোতিষী হ'লোঁ, অকালতে জান [পৰাণ] দিলোঁ। ছুলতানৰ ধন-ভঁৰাল চোৰে উদি কৰিলে। এতিয়া—মইহে সেই চোৰৰ নাম ক'ব ক'ব লাগিব। অহা চল্লিছ দিনৰ ভিতৰত চোৰৰ আৰু ধনৰ সোণৰ



সা-সন্ধান দিব নোৱাৰিলে মোৰ ইন্তেকাল [মৰণ] কোনেও বন্ধ কৰিব নোৱাৰিব। মোৰ মুণ্ড যাব।"

ৰহিমাই হবিবক ক'লে, "চোৱা, মই এই চল্লিছটা খেজুৰ থৈ দিছোঁ। প্ৰতিদিন গধূলিতে তুমি এটাকৈ খাবা। যিদিনা সৰ্বশেষ খেজুৰটো খাবা, সেইদিনাই আমি এই দেশ এৰি পলাম।"

ছুলতানৰ ধন-ভঁৰালৰপৰা চল্লিছটা চোৰে চুৰি কৰিছিল। হবিব জ্যোতিষীক ছুলতানে সিহঁতক ধৰাৰ দায়িত্ব দিয়াৰ কথা সিহঁতে জানিব পাৰিলে আৰু হবিবে সিহঁতক ধৰিবলৈ কি কৰে-নকৰে তাৰ লৈ লক্ষ্য ৰাখিবলৈ হবিবৰ ঘৰৰ আশে-কাষে নানান ছলত নানান বেশত ঘূৰা-ফুৰা কৰিবলৈ ধৰিলে। চোৰবিলাকে হবিব আৰু তাৰ বিবিৰ মাজত হোৱা কথা-বতৰা আঁৰত থাকি শুনিছিল।

প্ৰথম দিনা চোৰ এটাই ৰহিমাই মাত্ৰ এষাৰ কোৱা শুনিলে, "এটা।" এই বুলি কৈ, ৰহিমাই হবিবক খেজুৰ এটা খাবলৈ দিছিল।

"বাকী থাকিল উনচল্লিছটা।" হবিবে কৈ উঠিল।

যিটো চোৰে এই কথাকেইটা শুনিছিল, সি ফেটীসাপৰ মূৰ ছিঙা লৰ দি আন চোৰবিলাকক কথাটো ক'লেগৈ। সি ক'লে, "আমাৰ আৰু ৰক্ষা নাই। মই শুনিছিলোঁ — 'এটা'। অলপ পাছত সিটোৱে কৈ উঠিল—'বাকী' থাকিল উনচল্লিশছটা'! এতিয়া আমাৰ কি হ'ব পাৰে ভাবি চোৱাহঁত।"

এইদৰে, প্ৰতি দিন গধূলিৰ আৰ লৈ সেই চল্লিছটা চোৰৰ মাজত এটাকৈ আহিছিল আৰু উনচল্লিছৰ পাছত আঠত্ৰিছ, সাতত্ৰিছ আদি কোৱা শুনি শুনি কঁপি উঠিছিল।

আৰু—চল্লিছ দিনৰ দিনা চোৰৰ চৰ্দাৰে নিজেই আহি আঁৰত থিয় হ'ল। হবিবে

কোৰা কথাষাৰ স্পষ্টকৈ তাৰ কাণত পৰিল। হবিবে কৈ আছিল, "এইটোৱেই শেষ। দেখিছানে—? এইটোৱেই হ'ল আটাইতকৈ ডাঙৰ।"

চোৰৰ চৰ্দাৰ যেনিবা চেঁচা পৰি আহিল। সি হবিবৰ ঘৰৰ ভিতৰলৈ ধুমুহাৰ দৰে সোমাই, হবিবৰ ভৰিত উবুৰি খাই পৰি ক'লে, "ককাইদেউ, আমাক ছুলতানৰ হাতত গটাই নিদিব। ছুলতানৰ ধন-ভঁৰালৰ আটাইখিনি ধন-সোণ আমি ঘূৰাই দিম। আমি সংখ্যাত কিমান, আমি ক'ত থাকোঁ—ছুলতানক নক'ব ককাইদেউ। আমালৈ ৰহম কৰক, আল্লাহ-তাল্লাহই আপোনাক দোৱা দিব।"

চালিধৰা জোতিষী হবিবে গম্ভীৰ-ভাৱে ক'লে, "ঠিক হায়।"

সেই ফুট গধূলিতে চোৰৰ চৰ্দাৰে ধন-ভঁৰাল ধন-সোণ আটাইখিনি হবিবক দিলেহি। হবিব যেনিবা দোজখৰ [নৰক] পৰা মুক্তি পাই পুনৰ জনম্ লৈ আহিল।

পাছদিনা, হবিবে ছুলতানক আটাই-খিনি ধন-সোণ ওভোতাই দিলেগৈ। ছুলতানে হবিবৰ এই আচৰিত সাফল্যৰ শলাগ লৈ তাক জোখে-জোখাৰে উপহাৰ দিলে আৰু তেওঁৰ ব্যক্তিগত জ্যোতিষীৰ পদত তাক মকৰল কৰিলে।

ইমান মূল্যৱান উপহাৰ আৰু ছুলতানৰ জ্যোতিষীৰ বাব পাই দুখীৰো দুখী হবিবে

ভাবিলে ঃ এই দৰে—ফাকতি-ফুকুতাৰেনো কেইদিন চলাব পাৰিম ?

এনে ধৰণে সাতে-সোতৰই ভাবি ভাবি হবিবে গা ধুই আছিল। হঠাৎ তাৰ মগজুত এটা বুদ্ধিৰ ঢউ বাগৰি গ'ল। সি ভাবিলে ঃ মই যদি নিজক বলিয়া হিচাপে প্ৰমাণ কৰিব পাৰোঁ, তেতিয়া ছুলতানে মোক নিশ্চয় আৰু জ্যোতিষীৰ পদত নাৰাখিব। তেতিয়া মোক খেদি দিলে আৰু কুছ পৰোৱা নাথাকিব।"

তিতা চাপোৰ-কানিৰেই হবিব পোনে পোনেই অন্তেষপুৰলৈ গৈ ছুলতানৰ মহামূল্য আসনত বহি দিলেগৈ। আৰু লগে মাৰলি এটা হুৰমুৰকৈ সেই আসনৰ ওপৰত ভাগি পৰিল। কথা আচৰিতেই, ছুলতানৰ কিন্তু হবিবৰ ওপৰত খং নুঠিল। তেওঁ হবিবক ক'লে, "তুমি প্ৰকৃততেই খোদাৰ দোৱা [আশীৰ্বাদ] পোৱা জ্যোতিষী। মোক ৰক্ষা কৰিবলৈ তুমি তিতা গাৰেই গোছলখানাৰপৰা গুচি আহিলা! মোক মৃত্যুৰ পৰা বচালা! মই যে কিহেৰে কেনেকৈ তোমাৰ মান ধৰিম, ভাবি পোৱা নাই। তোমাক কি লাগে কোৱাঁ।"

হবিবক মন্ত্ৰী সেনাপতি আদিয়েও কুৰ্নিছ [অভিবাদন] কৰিলে। ছুলতানে হবিবলৈ আগবঢ়ালে উপহাৰ-পুৰস্কাৰ।

পাছদিনা হুখীৰো হুখী হবিবৰ বিবি-জান ৰহিমা গা ধুবলৈ গ'ল সেই গোছল-খানালৈ। তেতিয়া ছুলতানৰ আগৰ জ্যোতিষৰ বিবিয়ে তাত গা ধুই আছিল। ৰহিমাই হমামৰ অৰ্থাৎ গোছলখানাৰ পৰীয়াক ক'লে, "মই এতিয়াই গা ধুম।"

গোছলখানাৰ পৰীয়াই তলমূৰ হৈ ক'লে, "জৰুৰ, জৰুৰ ধুব। মই এতিয়াই গোছলখানা খালী কৰি দিম।" এই বুলি কৈয়েই সি চিঞৰি হুকুম জাৰী কৰিলে, "হমাম খালী কৰো—খালী কৰো!"

দীঘলসজীয়া
ইন্দোনেছিয়াৰ ফৰিং অতি দীঘল। পৃথিৱীৰ আন ক'তো ইমান দীঘল ফৰিং দৃষ্ট নহয়। এইবোৰ ফৰিং দীঘলে ১৩ ইঞ্চিলৈকো হয়!

বিষ নিক্ষেপকাৰী সাপ!
বিপদ গমিলে বিষাক্ত সাপে প্ৰতিপক্ষক খোটে। কোনো কোনো সাপে তাৰ বিহদাঁত দুটাৰপৰা প্ৰতিপক্ষৰ চকুলৈ বিষ দলিয়াব পাৰে। এইবোৰ সাপে আঠ ফুট আঁতৰলৈকো বিষ দলিয়াই পঠাব পাৰে!

তীব্ৰগতিৰ সিন্ধি-সৰকা
এছিয়া আৰু ইঅ'ৰোপৰ বিভিন্ন অঞ্চলৰ এন্দুৰে তীব্ৰগতিৰে মাটি খান্দিব পাৰে। এই-বোৰ এন্দুৰে মাত্ৰ বিছ মিনিটতে নিজৰ দেহৰ পঞ্চাছগুণতকৈয়ো অধিক ওজনৰ মাটি খান্দি উলিয়াব পাৰে। কেৱল খন্দায়েই নহয়, সেই মাটিখিনি এই সময়ছোৱাৰ মাজতে উলিয়াই গাঁতৰপৰা ওপৰলৈ উঠাই আনিবও পাৰে।

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশন কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সমলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০·০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৮ চনৰ মে' সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিবলাগিব। ১৯৮৮ চনৰ মাৰ্চ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৭ চনৰ জানুৱাৰি মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : পানীৰ সৈতে খেল   দ্বিতীয় ফটো : প্ৰাণীৰ সৈতে মেল

পুৰস্কাৰ প্ৰাপক : বৰ্ণালী ডেকা, মোক্তাৰ বুনিয়াদী বিদ্যালয়, নগাঁও
[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন
তলৰ ঠিকনালৈ পঠাব লাগিব :
DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026
নাইবা
Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

Statement about ownership of CHANDAMAMA (Assamese)
Rule 8 (Form VI), Newspapers (Central) Rules, 1956

1. Place of Publication	'CHANDAMAMA BUILDINGS' 188, N.S.K. Salai Vadapalani, Madras-600 026
2. Periodicity of Publication	MONTHLY 1st of each calendar month
3. Printer's Name	B.V. REDDI
Nationality	INDIAN
Address	Prasad Process Private Limited 188, N.S.K. Salai Vadapalani, Madras-600 026
4. Publisher's Name	B. VISWANATHA REDDI
Nationality	INDIAN
Address	Chandamama Publications 188, N.S.K. Salai Vadapalani, Madras-600 026
5. Editor's Name	B. NAGI REDDI
Nationality	INDIAN
Address	'Chandamama Buildings' 188, N.S.K. Salai Vadapalani, Madras-600 026
6. Name and Address of individuals who own the paper	CHANDAMAMA PUBLICATIONS PARTNERS: 1. B. VENKATRAMA REDDY 2. B.V. SANJAY REDDY 3. B.V. NARESH REDDY 4. B. PADMAVATHI 5. B. VASUNDHARA 6. B.V. SHARATH REDDY 7. B.N. RAJESH 8. B.L. ARCHANA (Minor) 9. B.L. ARADHANA (Minor) (Minors admitted to the benefits of Partnership)

I, B. Viswanatha Reddi, hereby declare that the particulars given above are true to the best of my knowledge and belief.

B. VISWANATHA REDDI
Signature of the Publisher

1st March 1988

ধুৰ ক্ষণৰ
মধুৰ
গৰী...
nutrine
Chocolate
Eclairs
ন
ক্ৰীম সদৃশ
চকোলেট
এক্লেয়াৰ্চ
শৰত
নিউট্ৰিন
স্বাভাৱিকতে!
অধিক গাখীৰ। অধিক মাখন।
অধিক চকোলেট।
নিউট্ৰিন
Ask for
nutrine
Chocolate
Eclairs
nutrine

everest/86/PP/412-as

Gautam Goswami (7.3.88)